কাৰিকৰী বিজুতিৰ বাবে
কাকতখন ১২ পৃষ্ঠাৰ সলনি ৮
পৃষ্ঠা কৰিব লগীয়া হ'ল। এই
সিদ্ধান্ত ল'ব লগীয়া হোৱাৰ
বাবে আমি অতিকৈ দুঃখিত।
— সম্পাদক

গুৱাহাটী আৰু নগাঁৱৰ পৰা প্ৰতি শুকুৰবাৰে প্ৰকাশিত সাপ্তাহিক

সামাজিক প্ৰয়োজন পূৰণৰ প্ৰতিশ্ৰুতিৰে

R.N.I. Regn. No. ASSASS/2013/54226

# অসম প্ৰবাহ

শুকুৰবাৰ ● ৩০ অক্টোবৰ ২০২৬/১২ কাতি ১৯৪৩ শক ● দাম ৩.০০ টকা ● পঞ্চদশ বছৰ ● সংখ্যা - ২৯ ● Vol - 15, Issue - 29


# মৰাণ-মটক জনগোষ্ঠীৰ সংগঠনৰে বৈঠক মুখ্যমন্ত্ৰীৰ



**ৰমেন ভৰালী, বংশৰ ঃ** মৰাণ আৰু মটক জনগোষ্ঠীৰ ভূমি সম্পৰ্কীয় সমস্যাসমূহ সমাধানৰ লক্ষ্যৰে ডিব্ৰুগড়ত জনগোষ্ঠী দুটাৰ বিভিন্ন সংগঠনৰ সৈতে এখন গুৰুত্বপূৰ্ণ বৈঠকত মিলিত হয় অসমৰ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা। ডিব্ৰুগড়স্থিত মুখ্যমন্ত্ৰীৰ সচিবালয়ত অনুষ্ঠিত বৈঠকখনত মৰাণ আৰু মটক জনগোষ্ঠীৰ ভূমি সম্পৰ্কীয় সমস্যাসমূহৰ পুংখানুপুংখ আলোচনা কৰা হয়। এই সমস্যাসমূহৰ সমাধানৰ বাবে কেইবাটাও গ্ৰহণৰ আশ্বাস প্ৰদান কৰে পদক্ষেপ মুখ্যমন্ত্ৰীগৰাকীয়ে। বৈঠকত মিছন বসুন্ধৰা-৪ৰ অধীনত মৰাণ আৰু মটক জনগোষ্ঠীৰ বাবে প্ৰযোজ্য নীতি-নিৰ্দেশনাসমূহ পৰ্টেলত স্পষ্টভাৱে উল্লেখ কৰাৰ সিদ্ধান্তৰ বিষয়ে অৱগত কৰা হয়। ইয়াৰ ফলত সংশ্লিষ্ট আবেদনকাৰীসকলে ভূমি নিষ্পত্তি সম্পৰ্কীয় নিয়ম আৰু প্ৰক্ৰিয়াসমূহ সহজে জানিব পাৰিব বুলি আশা কৰা হৈছে। আনহাতে, ভূমিৰ বাবে অনলাইন আবেদন প্ৰক্ৰিয়া সহজ কৰি তোলাৰ উদ্দেশ্যে জনগোষ্ঠী দুটাৰ যুৱক-যুৱতীসকলক প্ৰয়োজনীয় প্ৰশিক্ষণ প্ৰদানৰ বিষয়েও আলোচনা কৰা হয়। ইয়াৰ জৰিয়তে অনলাইন আবেদন দাখিলৰ ক্ষেত্ৰত সন্মুখীন হোৱা অসুবিধাসমূহ হ্ৰাস কৰাৰ লক্ষ্য লোৱা হৈছে। ইয়াৰ উপৰি নিৰ্ধাৰিত সময়ৰ ভিতৰত প্ৰিমিয়াম জমা দিব নোৱাৰাৰ ফলত সৃষ্টি হোৱা সমস্যাসমূহ সমাধানৰ বাবে প্ৰিমিয়াম জমা দিয়াৰ সময়সীমা বৃদ্ধি কৰাৰ পদক্ষেপৰ কথাও মুখ্যমন্ত্ৰীয়ে উল্লেখ কৰে। মৰাণ আৰু মটক জনগোষ্ঠীৰ ভূমি অধিকাৰ সম্পৰ্কীয় সমস্যাসমূহ সমাধান আৰু মিছন বসুন্ধৰা-৪ৰ অধীনত ভূমি নিষ্পত্তিৰ প্ৰক্ৰিয়া অধিক সহজ কৰি তোলাৰ ক্ষেত্ৰত এই পদক্ষেপসমূহে গুৰুত্বপূৰ্ণ ভূমিকা ল'ব বুলি আশা কৰা হৈছে।

# শুৱালকুছি ৰাস মহোৎসৱৰ লাইখুঁটা স্থাপন মুখ্যমন্ত্ৰীৰ বিশেষ কৰ্তব্যৰত বিষয়া শ্ৰীহেমন্ত চৌধুৰীৰ



**ৰমেন ভৰালী, বংশৰ ঃ** শৰৎকালৰ পূৰ্ণিমাৰ বিতোপন ক্ষণত পৰমাত্মা আৰু জীৱাত্মাৰ মহামিলনৰ পৱিত্ৰ ক্ষণ ৰাসলীলা। সমগ্ৰ ৰাজ্যবাসী ৰাস উৎসৱৰ বাবে উৎকণ্ঠাৰে বাট চাই থকাৰ সময়তে ধৰ্ম আৰু কৰ্মৰ মিলনক্ষেত্ৰ, ৰেচম গাঁও শুৱালকুছিতো ৰাস মহোৎসৱৰ প্ৰস্তুতি তুংগত উঠিছে। ভগৱান শ্ৰীকৃষ্ণৰ প্ৰেম, ভক্তি আৰু আধ্যাত্মিকতাৰ মহিমাৰে সমুজ্বল কৰিবলৈ ৭ পৃষ্ঠাত

# 'মন কী বাত' - দেশৰ কোটি কোটি জনতাৰ হৃদয়ৰ স্পন্দন

**ৰমেন ভৰালী, বংশৰ ঃ** 'মন কী বাত' - দেশৰ কোটি কোটি জনতাৰ হৃদয়ৰ স্পন্দন। দেশজুৰি প্ৰধানমন্ত্ৰীৰ এই জনপ্ৰিয় ৰেডিঅ' অনুষ্ঠানটি শ্ৰৱণ কৰাৰ লগতে জালুকবাৰী সমষ্টিতো উৎসাহপূৰ্ণভাৱে এই কাৰ্যসূচী পালন কৰা হয়। যোৱা ২৫ অক্টোবৰ, শনিবাৰে জালুকবাৰী মণ্ডলৰ অন্তৰ্গত ৫নং ৱাৰ্ডৰ ১৪১ নং বুথত দেশৰ সন্মানীয় প্ৰধানমন্ত্ৰী শ্ৰী নৰেন্দ্ৰ মোদী ডাঙৰীয়াৰ জনপ্ৰিয় ৰেডিঅ' অনুষ্ঠান 'মন কী বাত'ৰ ১২৭ সংখ্যক খণ্ডটি উৎফুল্লতাৰে শ্ৰৱণ কৰে ভাৰতীয় জনতা পাৰ্টিৰ কৃষক মৰ্চাৰ অসম ৰাজ্যিক সাধাৰণ সম্পাদক শ্ৰী ৰঞ্জিত কুমাৰ ভট্টাচাৰ্য ডাঙৰীয়াই। জালুকবাৰী




মণ্ডলৰ সভাপতি, বুথৰ সভাপতি, শক্তি কেন্দ্ৰৰ প্ৰমুখ, স্থানীয় জ্যেষ্ঠ কাৰ্যকৰ্তা আৰু বুথৰ ৰাইজৰ উপস্থিতিত অনুষ্ঠিত এই কাৰ্যসূচীত প্ৰধানমন্ত্ৰী ডাঙৰীয়াই দেশৰ বিভিন্ন প্ৰান্তৰ সফলতাৰ কাহিনী, কৃষক, মহিলা, যুৱক আৰু সাধাৰণ নাগৰিকৰ অসাধাৰণ অনুপ্ৰেৰণাদায়ক যাত্ৰা আৰু ৰাষ্ট্ৰ নিৰ্মাণৰ নিৰন্তৰ প্ৰচেষ্টাৰ বিষয়ে ব্যক্ত কৰা বক্তব্য মনোযোগেৰে শুনা হয়। বিশেষকৈ প্ৰধানমন্ত্ৰী ডাঙৰীয়াই এইবাৰৰ খণ্ডত স্বচ্ছতা, স্বাৱলম্বন, স্থানীয় ৭ পৃষ্ঠাত

## বিজেপি কৃষক মৰ্চাৰ সহযোগত আকাংক্ষা কৃষি গোটৰ ৰবি শস্যৰ খেতিৰ যোজা

# ট্ৰেক্টৰৰ ষ্টিয়েৰিঙত বহি মাটি চহোৱা কাৰ্যত অংশ ল'লে কৃষক নেতা ৰঞ্জিত কুমাৰ ভট্টাচাৰ্যই




**ৰমেন ভৰালী, বংশৰ ঃ** শৰতৰ কুঁৱলী ফালি আঠিয়াবৈৰ কৃষি পথাৰত যোৱা ২৭ অক্টোবৰত গুঞ্জৰিত হ'ল ন-আশাৰ বতৰা। ৰবি শস্যৰ আদৰণিৰ বাবে সাজু হৈছে পথাৰ, আৰু এই শুভাৰম্ভণিৰ সাৰথি হ'ল ভাৰতীয় জনতা পাৰ্টিৰ কৃষক মৰ্চাৰ অসম ৰাজ্যিক সাধাৰণ সম্পাদক ৰঞ্জিত কুমাৰ ভট্টাচাৰ্য ডাঙৰীয়া। যোৱা ২৭ অক্টোবৰৰ পুৱাই আঠিয়াবৈৰ বিস্তীৰ্ণ কৃষি পথাৰত উপস্থিত হৈ বিজেপি কৃষক মৰ্চাৰ সহযোগত আকাংক্ষা কৃষি গোট এ আৰম্ভ কৰিলে ৰবি শস্যৰ খেতিৰ প্ৰাৰম্ভিক কাম-কাজ। কেৱল উপস্থিত থাকিয়েই নহয়, কৃষকৰ প্ৰকৃত বন্ধুৰ দৰে নিজে ট্ৰেক্টৰৰ ষ্টিয়েৰিঙত বহি মাটি চহোৱা কাৰ্যত অংশ ল'লে কৃষক নেতাগৰাকীয়ে। ধূলি-মাকতিৰ মাজতো তেওঁৰ মুখত আছিল এক অনাবিল আনন্দ আৰু কৃষকৰ প্ৰতি গভীৰ সন্মান। ৭ পৃষ্ঠাত

# জন্মদিনত আনন্দৰ বন্যা ঃ হাজাৰ অনুৰাগীৰ মৰমত ওপচি পৰিল মিনিষ্টাৰ কলনি



**ৰমেন ভৰালী, বংশৰ ঃ** অসমৰ মাননীয় মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা ডাঙৰীয়াৰ বিশেষ কৰ্তব্যৰত বিষয়া (OSD) তথা সকলোৰে প্ৰিয় হেমন্ত চৌধুৰী ডাঙৰীয়াৰ ওপজা দিন উপলক্ষে ৰাজ্যজুৰি দেখা গৈছে উৎসাহৰ জোৱাৰ। যোৱা ২৭ অক্টোবৰৰ নিশা ১২ বজাৰ লগে লগে গুৱাহাটীৰ মিনিষ্টাৰ কলনিত যেন ভক্তৰ ঢল নামিল। হাজাৰ হাজাৰ অনুৰাগী, শুভাকাংক্ষী আৰু শুভাকাংক্ষীয়ে ফুলাম গামোচা, কেক আৰু অফুৰন্ত শুভেচ্ছাৰে উপচাই দিলে তেওঁৰ বাসগৃহ। নিশাৰ আন্ধাৰকো নেওচি অহা এই জনসমুদ্ৰই প্ৰমাণ কৰিলে হেমন্ত চৌধুৰী ডাঙৰীয়াৰ প্ৰতি ৰাইজৰ থকা গভীৰ মৰম আৰু আস্থা। আনহাতে, আজি দিনজোৰা ৭ পৃষ্ঠাত

# উত্তৰ পেটবড়াত অঙ্কন মিলন সেৱা অনুষ্ঠান উদ্‌যাপন



**লক্ষ্যজ্যোতি বৰা ঃ** নগাঁও জিলাৰ ৰহা সংহত শিশু উন্নয়ন প্ৰকল্প বিষয়া কাৰ্যালয়ৰ অধীনত উত্তৰ পেটবড়া ২ নং অংগনবাড়ী কেন্দ্ৰত যোৱা ১১ অক্টোবৰ তাৰিখ দেওবাৰে ভাৰতবৰ্ষৰ প্ৰধান মন্ত্ৰী নৰেন্দ্ৰ মোদীৰ ২৫ বছৰীয়া জনসেৱাৰে দেশসেৱাৰ সংকল্প যাত্ৰা আৰু নৱম ৰাষ্ট্ৰীয় পোষণ মাহ উপলক্ষে আয়োজন কৰা সমাজ কল্যাণ বিভাগৰ এক বিশেষ অনুষ্ঠান 'অঙ্কন মিলন সেৱা' অনুষ্ঠিত হৈ যায়। বিশিষ্ট সমাজসেৱী তথা কেন্দ্ৰৰ পৰিচালনা সমিতিৰ সভানেত্ৰী দীপালি দেৱী শইকীয়াৰ সভাপতিত্বত অনুষ্ঠিত সভাত আদৰণি ভাষণ প্ৰদান কৰে উত্তৰ পেটবড়া ২ নং অংগনবাড়ী কেন্দ্ৰৰ একমাত্ৰ সহায়িকা ববি বৰাই। সভাৰ পূৰ্বে কেন্দ্ৰৰ শিশুসকলৰ দ্বাৰা প্ৰাৰ্থনাৰে কাৰ্যসূচী আৰম্ভ কৰা হয়। সভাত বিশিষ্ট অতিথি হিচাপে উপস্থিত থাকি মাতৃ আৰু শিশুৰ ওপৰত বক্তব্য ৰাখে মহগড় ফুলগুৰি ক্ষুদ্ৰ প্ৰাথমিক স্বাস্থ্যকেন্দ্ৰৰ এ.এন.এম. কবিতা দাসে। ইয়াৰ পিছতে কেন্দ্ৰৰ শিশুসকলে কবিতা আবৃত্তি, নৃত্য, গীত আদিৰে অনুষ্ঠানত উপস্থিত থকা সকলোকে আপ্লুত কৰে। তাৰ পিছতে PMMVY আঁচনি সফল ৰূপায়ণ সন্দৰ্ভত বক্তব্য ৰাখে কেন্দ্ৰৰ অভিভাৱিকা জিম্পী বাৰিকে। লগতে অৰুণোদয় আঁচনি সম্পৰ্কে বক্তব্য ৰাখে গাঁৱৰ জ্যেষ্ঠ মহিলা ৰূপালী বণিয়াই। সমাজসেৱক ৰাজু বৰা উপস্থিত থকা সভাখনত আমন্ত্ৰিত স্থানীয় কণ্ঠশিল্পী দীনেশ নাথে অসমীয়াৰ হিয়াৰ আমঠু জুবিন গাৰ্গৰ গীত পৰিৱেশন আৰু দিহা নামৰ কলিৰ ধ্বনিৰে অনুষ্ঠান মুখৰিত কৰি তোলে। যুৱ সাহিত্যিক তথা কঠিয়াতলী খণ্ড প্ৰাথমিক স্বাস্থ্যকেন্দ্ৰৰ ব্লক চুপাৰভাইজৰ লক্ষ্যজ্যোতি বৰাই কেন্দ্ৰৰ উন্নয়ন, কেন্দ্ৰত শিশু আৰু অভিভাৱকৰ গুৰুত্ব, সহায়িকাৰ নিষ্ঠাৰে কৰ্তব্য সম্পাদন, চৰকাৰী আঁচনি সমূহ যেনে - প্ৰধানমন্ত্ৰী মাতৃ বন্দনা যোজনা, অৰুণোদয় আঁচনি, মুখ্যমন্ত্ৰীৰ নিযুত মইনা আঁচনি, মুখ্যমন্ত্ৰীৰ নিযুত বাবু আঁচনি, মহিলা উদ্যমিতা আঁচনি আদি সকলোবোৰ আঁচনিৰ সন্দৰ্ভত সামগ্ৰিকভাৱে বক্তব্য প্ৰদান কৰে। অনুষ্ঠানৰ সফল ৰূপায়ণ হোৱাৰ বাবে ২০২৪ বৰ্ষৰ পৰা কেন্দ্ৰৰ সহায়িকা আৰু কৰ্মীৰ দায়িত্ব সুচাৰুৰূপে পালন কৰি অহা ববি বৰাই সকলোলৈকে কৃতজ্ঞতা প্ৰকাশ কৰে। উল্লেখ্য যে উক্ত অনুষ্ঠানতে কেন্দ্ৰৰ সহায়িকা ববি বৰাক এখন ফুলাম গামোচা, চৰকাৰে আগবঢ়োৱা চেক আৰু সম্বৰ্ধনা পত্ৰৰে বিশেষভাৱে সম্বৰ্ধনা জ্ঞাপন কৰা হয়।

# বিহমাৰী বনগাঁও পাঁচআলিত বণিক সন্থাৰ উদ্যোগত লক্ষ্মী পূজা উদ্‌যাপন

## কণ কণ ছাত্ৰ-ছাত্ৰীৰ মাজত কুইজ প্ৰতিযোগিতা



**বিহমাৰী ঃ** বিশ্বনাথ জিলাৰ বিহালী সমষ্টিৰ অন্তৰ্গত বিহমাৰী বনগাঁও পাঁচআলি চেণ্টাৰত যোৱা ইংৰাজী ২৫ অক্টোবৰত পুৱা ৯ বজাৰ পৰা বণিক সন্থাৰ উদ্যোগত শ্ৰীশ্ৰী লক্ষ্মী পূজা ভক্তিভাৱেৰে অনুষ্ঠিত হয়। পূজাৰ শুভাৰম্ভণিতে প্ৰাণৰ শিল্পী জুবিন গাৰ্গৰ প্ৰতিচ্ছবিত বন্তি প্ৰজ্বলন কৰি বণিক সন্থাৰ তৰফৰপৰা গভীৰ শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰা হয়। অনুষ্ঠানত বণিক সন্থাৰ সভাপতি কামেশ পোদ্দাৰে উদ্বোধনী ভাষণ প্ৰদান কৰে। সন্থাৰ তৰফৰপৰা তেখেতক ফুলাম গামোচাৰে আদৰণি জনোৱা হয়। ইয়াৰ পাছতে সন্থাৰ উপদেষ্টা প্ৰেম বৈষ্ণৱ আৰু ৰঞ্জিত বনিয়াই উপস্থিত ৰাইজক উদ্দেশ্যি বক্তব্য ৰাখে। দুয়োগৰাকী উপদেষ্টাক সন্থাৰ তৰফৰপৰা ফুলাম গামোচাৰে আদৰণি জনোৱা হয়। উদ্বোধনী অনুষ্ঠানৰ আঁত ধৰে সম্পাদক পলাশ কটকী আৰু সাংগঠনিক সম্পাদক সৌৰভ বৰুৱাই। উক্ত অনুষ্ঠানতে এই বৰ্ষৰ লক্ষ্মী প্ৰতিমাৰ দাতা কল্যাণ গুপ্তাক সন্থাৰ তৰফৰপৰা কৃতজ্ঞতা জ্ঞাপন কৰি ফুলাম গামোচাৰে আদৰণি জনোৱা হয়। লগতে দান-বৰঙণি সংগ্ৰহ, বজাৰ-সমাৰকে ধৰি বিভিন্ন কামত আগভাগ লোৱা ঘন বৰুৱা, ৰোহিত দাস, ৰাজেন বাঢ়ৈ, গকুল দাস আদি কাৰ্যকৰ্তাসকলৰ লগতে বিভিন্ন কামত সক্ৰিয় সহযোগিতা আগবঢ়োৱা সদস্য তথা বনগাঁও বাসী ৰাইজলৈ বণিক সন্থাৰ তৰফৰপৰা ধন্যবাদ আৰু কৃতজ্ঞতা জ্ঞাপন কৰা হয়। পূজাৰ লগত সংগতি ৰাখি সন্ধিয়া কণ-কণ ছাত্ৰ-ছাত্ৰীসকলৰ মাজত এক কুইজ প্ৰতিযোগিতাৰ আয়োজন কৰা হয়। কেৱল ধৰ্মীয় অনুষ্ঠানতে আবদ্ধ নাৰাখি নতুন প্ৰজন্মৰ মাজত জ্ঞানৰ পৰিসৰ বৃদ্ধি কৰা, পঢ়া-শুনাৰ প্ৰতি আগ্ৰহ জন্মোৱা আৰু সুস্থ প্ৰতিযোগিতাৰ মনোভাৱ গঢ়ি তোলাৰ উদ্দেশ্যেৰে এই প্ৰতিযোগিতাৰ আয়োজন কৰা হৈছিল। প্ৰতিযোগিতাত অঞ্চলটোৰ বিভিন্ন বিদ্যালয়ৰ বহু সংখ্যক ছাত্ৰ-ছাত্ৰীয়ে উৎসাহেৰে অংশগ্ৰহণ কৰে। এনে পদক্ষেপে ছাত্ৰ-ছাত্ৰীসকলক ভৱিষ্যতে অধিক উৎসাহিত কৰিব বুলি উপস্থিত ৰাইজে মত প্ৰকাশ কৰে। কুইজ প্ৰতিযোগিতাখনি সুচাৰুৰূপে পৰিচালনা কৰে পলাশ কটকী, দীপক দাস, অনুপ দাস আৰু সৌৰভ বৰুৱাই।

# অসম চৰকাৰৰ 'অসম গৌৰৱ' বঁটা প্ৰাপক ডিমৌৰ তনুমায়া সোনাৰ বিশ্বকৰ্মাক শিৱসাগৰ জিলা প্ৰশাসনৰ অভিনন্দন

**অমৃত কুমাৰ শৰ্মা, শিৱসাগৰ ঃ** অসম চৰকাৰে প্ৰদান কৰি অহা সৰ্বোচ্চ অসামৰিক সন্মান ২০২৫ বৰ্ষৰ 'অসম গৌৰৱ' বঁটাৰ বাবে নিৰ্বাচিত হোৱাৰ বাবে অসম ৰাজ্যিক গ্ৰামীণ জীৱিকা অভিযান-শিৱসাগৰৰ আত্মসহায়ক গোটৰ এগৰাকী সফল উদ্যোগী মহিলা তথা 'যশোদা ডেইৰী এণ্ড চুইটছ'ৰ প্ৰতিষ্ঠাতা তনুমায়া সোনাৰ বিশ্বকৰ্মাক তেওঁৰ দুগ্ধ প্ৰতিষ্ঠানটিত ২৬ অক্টোবৰ, সোমবাৰে শিৱসাগৰৰ জিলাৰ জিলা আয়ুক্ত মৃদুল যাদৱ উপস্থিত হৈ বিহুৱান আৰু এখনি সম্বৰ্দ্ধনা পত্ৰৰে তনুমায়া সোনাৰ বিশ্বকৰ্মাক এই সফলতাৰ বাবে অভিনন্দন জনোৱাৰ লগতে অনাগত দিনত তেওঁৰ পৰিকল্পনাৰ বিষয়ে বুজ লোৱাৰ লগতে শুভেচ্ছা প্ৰদান কৰে। উক্ত কাৰ্য্যসূচীত অসম ৰাজ্যিক গ্ৰামীণ জীৱিকা অভিযান,



শিৱসাগৰৰ জিলা প্ৰকল্প প্ৰৱন্ধক ডাঃ সুৰজ জ্যোতি গগৈকে প্ৰমুখ্য কৰি জিলা অভিযান পৰিচালনা শাখাৰ বিষয়ববীয়া তথা শিৱসাগৰৰ আটাইকেটা উন্নয়ণ খণ্ডৰ খণ্ড প্ৰকল্প প্ৰৱন্ধকসকল উপস্থিত থাকে।

# ২০২৫-২৬ বৰ্ষৰ ৰাজ্যিক ভিত্তিত আয়োজিত সঁফুৰা বৃত্তি পৰীক্ষাত গন্ধমৌ আদৰ্শ জাতীয় বিদ্যালয়ৰ ছাত্ৰীৰ সফলতা



**ৰমেন ভৰালী, বংশৰ ঃ** অসম জাতীয় বিদ্যালয়ৰ আৰ্হিত ২০০৩ চনত প্ৰতিষ্ঠিত গন্ধমৌ অঞ্চলৰ আগশাৰীৰ ব্যক্তিগত খণ্ডৰ শিক্ষানুষ্ঠান আদৰ্শ জাতীয় বিদ্যালয়, গন্ধমৌয়ে বৃহত্তৰ গন্ধমৌ অঞ্চলত শৈক্ষিক ক্ষেত্ৰত নিজৰ সুনাম অক্ষুণ্ণ ৰাখিছে। শেহতীয়াকৈ ২০২৫-২৬ বৰ্ষৰ ৰাজ্যিক ভিত্তিত আয়োজিত সঁফুৰা বৃত্তি পৰীক্ষাত বিদ্যালয়খনৰ ছাত্ৰীসকলে উজ্বল সফলতা অৰ্জন কৰি বিদ্যালয়লৈ গৌৰৱ কঢ়িয়াই আনিছে। এই পৰীক্ষাত জলপানিসহ বৃত্তি লাভ কৰিবলৈ সক্ষম হৈছে ৬ গৰাকীকৈ ছাত্ৰী। বৃত্তিপ্ৰাপ্ত ছাত্ৰীসকল ক্ৰমে - জ্যোতিষ্মিতা নাথ (ষষ্ঠ শ্ৰেণী), প্ৰিয়াশ্ৰী ডেকা (নৱম শ্ৰেণী), ইছৰাত আফছিন (ষষ্ঠ শ্ৰেণী), আনিচা ইয়াছফিন (ষষ্ঠ শ্ৰেণী), ভৈৰৱী দাস (সপ্তম শ্ৰেণী) আৰু পৰিণীতা দাস (সপ্তম শ্ৰেণী)। এই সফলতাই কেৱল বিদ্যালয়খনকে নহয়, সমগ্ৰ বৃহত্তৰ গন্ধমৌ অঞ্চলটোকে গৌৰৱান্বিত কৰিছে। যোৱা ২৪ অক্টোবৰত বিদ্যালয় চৌহদত আয়োজিত এক গাম্ভীৰ্যপূৰ্ণ সম্বৰ্ধনা অনুষ্ঠানত সফল ছাত্ৰী কেইগৰাকীক বিদ্যালয়ৰ তৰফৰ পৰা ফুলাম গামোচা আৰু মানপত্ৰৰে সম্বৰ্ধনা জনোৱা হয়। সম্বৰ্ধনা অনুষ্ঠানত বিদ্যালয় পৰিচালনা সমিতিৰ বিষয়ববীয়া, শিক্ষক-শিক্ষয়িত্ৰী, কৰ্মচাৰী আৰু ছাত্ৰ-ছাত্ৰীসকল উপস্থিত থাকে। ছাত্ৰীসকলক সম্বৰ্ধনা জনায় বিদ্যালয় পৰিচালনা সমিতিৰ সম্পাদক জগদীশ দাস আৰু বিদ্যালয়ৰ অধ্যক্ষ হৰকুমাৰ দাসে। অধ্যক্ষ মহোদয়ে ছাত্ৰীসকলৰ উজ্বল ভৱিষ্যৎ কামনা কৰাৰ লগতে তেওঁলোকৰ এই সফলতাই অনাগত দিনত আন ছাত্ৰ-ছাত্ৰীক অনুপ্ৰাণিত কৰিব বুলি আশা প্ৰকাশ কৰে।

# ৰিজ'নেন্স বিদ্যাপীঠ, ৰহাৰ দশম বৰ্ষপূৰ্তি আৰু নৱাগত আদৰণি সভাৰ বৰ্ণাঢ্য আয়োজনৰ সফল সামৰণি

**নৱজ্যোতি ভূঞা, ৰহা ঃ** ৰহাৰ অগ্ৰণী শিক্ষানুষ্ঠান ৰিজ'নেন্স বিদ্যাপীঠ, ৰহা (প্ৰথমৰ পৰা দ্বাদশ শ্ৰেণীলৈ)ৰ একাদশ বৰ্ষত ভৰি দি দশম বৰ্ষপূৰ্তি অনুষ্ঠান আৰু নৱাগত আদৰণি সভা দিনজোৱা বৰ্ণাঢ্য কাৰ্যসূচীৰে উদ্‌যাপন কৰা হয়। পুৱা ৮-০০ বজাত 'দশম বৰ্ষপূৰ্তিৰ গৌৰৱময় ক্ষণত দহগৰাকী বিশিষ্ট ব্যক্তিৰ দ্বাৰা দহখন পতাকা উত্তোলনেৰে উদ্‌যাপিত হৈ সফলতাৰ গৌৰৱময় দশক' শীৰ্ষক পতাকা উত্তোলন কাৰ্যসূচীৰে অনুষ্ঠানৰ শুভাৰম্ভ হয়। পতাকা উত্তোলন কৰে মাধৱ চন্দ্ৰ হাজৰিকা, ধ্ৰুৱজ্যোতি হাজৰিকা, যতীন্দ্ৰ কুমাৰ পাৰৈ, ড° নিৰলা দেৱী, বিজয়া গগৈ, প্ৰহ্লাদ মছহৰং, সঞ্জয় কুমাৰ কাকতি, মণিৰাম নাথ, মুনীন্দ্ৰ কুমাৰ ভট্টাচাৰ্য আৰু ভদ্ৰ কান্ত নাথে। ইয়াৰ পিছত স্মৃতি তৰ্পণ কৰে ৰহা মহাবিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত মূৰব্বী অধ্যাপক যতীন্দ্ৰ কুমাৰ পাৰৈ দেৱে। পুৱা বন্তি প্ৰজ্বলন আৰু মঞ্চ উদ্বোধন কৰে ৬১ নং ৰহা বিধানসভা সমষ্টিৰ বিধায়ক শশীকান্ত দাস দেৱে। লগতে হিয়াৰ আমঠু জুবিন গাৰ্গ প্ৰতিচ্ছবিৰ সন্মুখত বন্তি প্ৰজ্বলন কৰে শিক্ষক কবি সু-লেখক লক্ষীপ্ৰসাদ ডেকাই। বিশিষ্ট অতিথি হিচাপে উপস্থিত থাকি ৰহা মহাবিদ্যালয় অধ্যক্ষ বেদকুমাৰ চলিহাই সুৰীয়া বক্তব্যই সকলোৰে মন মুগ্ধ কৰি তোলে। ইয়াৰ পিছতে একাদশ শ্ৰেণীৰ ছাত্ৰী নিকিতা পাটৰ আৰু হিমাক্ষী ডেকাৰ সত্ৰীয়া নৃত্য, পৰিৱেশন হোৱা পিছত বৰ্ষপূৰ্তি উপলক্ষে মুকলি সভা অনুষ্ঠিত হৈ প্ৰাক্তন ছাত্ৰ-ছাত্ৰীৰ অন্তৰংগ আলাপৰ পিছত নৱাগত আদৰণি সভা আৰু দুপৰীয়া কৃতী ছাত্ৰ-ছাত্ৰীৰ অভিনন্দন অনুষ্ঠান অনুষ্ঠিত হয়। মুকলি সভাত সভাপতিত্ব কৰে বিদ্যালয় পৰিচালনা সমিতিৰ সভাপতি মাধৱ চন্দ্ৰ হাজৰিকাই আৰু উদ্দেশ্য ব্যাখ্যা কৰে অধ্যক্ষ ধ্ৰুৱজ্যোতি হাজৰিকাই। এই অনুষ্ঠানতে নগাঁও নৱৰূপ জাতীয় বিদ্যাপীঠৰ দশম শ্ৰেণীৰ ছাত্ৰ অৰ্ণৱ বৰকাকতিৰ ইংৰাজী উপন্যাস 'Bharat Ascendent 2077' উন্মোচন কৰে মুখ্য বক্তা ড° শৰৎ বৰকটকী দেৱে। উক্ত অনুষ্ঠানত নৱৰূপ জাতীয় বিদ্যাপীঠৰ স্বত্বাধিকাৰী মুনীন্দ্ৰ শইকীয়া উপস্থিত থাকে। দুপৰীয়া বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰী সকলৰ দ্বাৰা বাৰেৰহণীয়া সাংস্কৃতিক অনুষ্ঠান অনুষ্ঠিত হৈ জনপ্ৰিয় কণ্ঠশিল্পী অবিনাশ কাশ্যপৰ গীতৰ শৰাই পিছত জাতীয় সংগীত পৰিৱেশনেৰে অনুষ্ঠানৰ সফল সামৰণি পৰে।

# কিতাপৰ সৈতে বন্ধুত্ব ঃ ছাত্ৰ-ছাত্ৰীৰ মনোযোগ আৰু অধ্যয়নস্পৃহা বৃদ্ধিৰ উপায়

■ **কমল দাস,** ৰহা

**ন**তুন কিতাপ এখনৰ পৃষ্ঠা লুটিয়াওঁতে ভাহি অহা ছপা আখৰৰ সুবাসটোৱে মানুহৰ মনত এক অনন্য অনুভূতিৰ সঞ্চাৰ কৰে। কিতাপ কেৱল কাগজ আৰু চিয়াঁহীৰ সমষ্টি নহয়; ই হ'ল মানৱ সভ্যতাৰ সঞ্চিত প্ৰজ্ঞা, অনুভৱ আৰু অভিজ্ঞতাৰ জীৱন্ত দলিল। যুগ-যুগান্তৰ ধৰি কিতাপে মানুহৰ নিঃসংগতা দূৰ কৰিছে, কল্পনাৰ দিগন্ত প্ৰসাৰিত কৰিছে আৰু অন্ধকাৰৰ মাজত পোহৰৰ বাট দেখুৱাই আহিছে। বিশিষ্ট সাহিত্যিক হোমেন বৰগোহাঞিয়ে উল্লেখ কৰাৰ দৰেই কিতাপ পঢ়াৰ অভ্যাসে মানুহৰ মনৰ বন্ধ দুৱাৰ-খিৰিকীবোৰ এখন এখনকৈ মুকলি কৰি দিয়ে। ছাত্ৰ-ছাত্ৰী জীৱন হৈছে এই বৌদ্ধিক উৎকৰ্ষ আৰু মানসিক জগতখন সমৃদ্ধ কৰাৰ আটাইতকৈ উপযুক্ত সময়। কিন্তু সাম্প্ৰতিক সময়ত আমাৰ ছাত্ৰ-ছাত্ৰীসকলৰ মাজত কিতাপৰ প্ৰতি থকা সহজাত আকৰ্ষণ আৰু মনোযোগ ক্ৰমান্বয়ে হ্ৰাস পাই অহাৰ ছবিখনে প্ৰতিজন সচেতন শিক্ষক, অভিভাৱক আৰু সমাজহিতৈষী ব্যক্তিক গভীৰভাৱে চিন্তিত কৰি তুলিছে।

এই বিমুখিতাৰ আঁৰৰ কাৰণসমূহ ফঁহিয়াই চালে দেখা যায় যে আধুনিক তথ্য-প্ৰযুক্তিৰ দ্ৰুত বিস্তাৰে ছাত্ৰ-ছাত্ৰীৰ দৈনন্দিন জীৱনশৈলী আমূলভাৱে সলনি কৰি পেলাইছে। হাতৰ মুঠিত থকা স্মাৰ্টফোনটোৰ ৰঙীন পৰ্দা, সামাজিক মাধ্যম আৰু চুটি ভিডিঅ'সমূহৰ তাৎক্ষণিক বিনোদনে কম বয়সীয়া শিকাৰুসকলৰ মস্তিষ্কক এনে এক অস্থিৰতাত অভ্যস্ত কৰি তুলিছে যে নীৰৱে বহি কিতাপ এখনৰ গভীৰতালৈ সোমাই যোৱাৰ ধৈৰ্য তেওঁলোকে হেৰুৱাই পেলাইছে। একে সময়তে আমাৰ পৰীক্ষাকেন্দ্ৰিক আৰু নম্বৰমুখী শিক্ষা ব্যৱস্থাও ইয়াৰ বাবে কম দায়ী নহয়। যেতিয়া কিতাপ পঢ়াৰ একমাত্ৰ উদ্দেশ্য হৈ পৰে মুখস্থ কৰি পৰীক্ষাত অধিক নম্বৰ অৰ্জন কৰা, তেতিয়া কিতাপখন আনন্দৰ উৎস হৈ নাথাকি ছাত্ৰ-ছাত্ৰীৰ বাবে এক মানসিক বোজাত পৰিণত হয়। ফলস্বৰূপে পাঠ্যপুথিৰ নিৰ্দিষ্ট সীমাৰ বাহিৰত থকা বিশাল সাহিত্য আৰু জ্ঞানৰ জগতখনৰ সৈতে তেওঁলোকৰ একপ্ৰকাৰৰ দূৰত্ব সৃষ্টি হয়।

ছাত্ৰ-ছাত্ৰীক পুনৰ কিতাপৰ কাষ চপাই আনিবলৈ হ'লে প্ৰথমেই আমি আমাৰ দৃষ্টিভংগী সলনি কৰিব লাগিব। কঠোৰ শাসন, অনুশাসন বা পৰীক্ষাৰ ভয় দেখুৱাই কোনো ছাত্ৰকে কিতাপৰ প্ৰতি স্থায়ীভাৱে মনোযোগী কৰিব নোৱাৰি। ভয় বা চাপে সাময়িকভাৱে কিতাপখন হাতত তুলি ল'বলৈ বাধ্য কৰিলেও অন্তৰত অধ্যয়নৰ প্ৰতি অনীহাহে জন্ম দিয়ে। মনোযোগ বৃদ্ধিৰ মূল চাবিকাঠী লুকাই আছে কৌতূহল আৰু আনন্দৰ মাজত। শৈশৱৰে পৰা ল'ৰা-ছোৱালীক তেওঁলোকৰ বয়স আৰু মনস্তত্ত্বৰ সৈতে খাপ খোৱা ৰঙীন ছবিযুক্ত সাধু কিতাপ, লোককথা, যেনে- লক্ষ্মীনাথ বেজবৰুৱাৰ 'বুঢ়ী আইৰ সাধু', পঞ্চতন্ত্ৰৰ নীতিশিক্ষামূলক কাহিনী, শিশু-উপন্যাস, বিজ্ঞানৰ বিস্ময়কৰ আৱিষ্কাৰ অথবা মহৎ লোকৰ সংগ্ৰামী জীৱনী পঢ়িবলৈ দিব লাগে। যেতিয়া এজন শিকাৰুৱে নিজৰ ৰুচি অনুসৰি কিতাপ বাছি লোৱাৰ স্বাধীনতা পায় আৰু কাহিনীৰ মাজত নিজকে বিচাৰি পায়, তেতিয়া কিতাপৰ পৃষ্ঠাত ডুব গৈ থকাৰ একাগ্ৰতা স্বতঃস্ফূৰ্তভাৱেই গঢ় লৈ উঠে।

এখন ঘৰেই হ'ল শিশুৰ প্ৰথমখন বিদ্যালয় আৰু অভিভাৱকসকল হ'ল তেওঁলোকৰ প্ৰথম আদৰ্শ। শিশু আৰু কিশোৰসকলে উপদেশতকৈ অনুকৰণৰ জৰিয়তে অধিক শিকে। অভিভাৱকসকলে যদি নিজেই আজৰি সময়খিনি ম'বাইল ফোন বা টেলিভিছনৰ সন্মুখত কটাই সন্তানক কিতাপ পঢ়িবলৈ নিৰ্দেশ দিয়ে, তেন্তে সেই উপদেশ কেতিয়াও ফলপ্ৰসূ নহয়। ইয়াৰ পৰিৱৰ্তে ঘৰখনত কিতাপৰ এক সজীৱ পৰিৱেশ গঢ়ি তোলাটো অত্যন্ত প্ৰয়োজনীয়। ঘৰৰ এচুকত সৰু হ'লেও এটা নিজা পুথিভঁৰাল গঢ়ি তোলা, দৈনিক সন্ধিয়া অন্ততঃ আধা ঘণ্টা সময় ঘৰৰ সকলো সদস্যই যান্ত্ৰিক সঁজুলি আঁতৰাই ৰাখি একেলগে কিতাপ বা আলোচনী পঢ়াৰ অভ্যাস কৰা আদি সৰু সৰু পদক্ষেপে সন্তানৰ মনত গভীৰ প্ৰভাৱ পেলায়। তদুপৰি জন্মদিন, বিহু বা যিকোনো শুভ ক্ষণত অন্যান্য সামগ্ৰীৰ লগতে এখনকৈ মননশীল কিতাপ উপহাৰ দিয়াৰ পৰম্পৰা গঢ়ি তুলিলে ছাত্ৰ-ছাত্ৰীৰ দৃষ্টিত কিতাপৰ মৰ্যাদা আৰু আদৰ বহু গুণে বৃদ্ধি পায়।

ঘৰুৱা পৰিৱেশৰ সমান্তৰালভাৱে বিদ্যালয় আৰু শিক্ষকসকলৰ সৃষ্টিশীল ভূমিকায়ো ছাত্ৰ-ছাত্ৰীৰ অধ্যয়নস্পৃহাক নতুন মাত্ৰা প্ৰদান কৰিব পাৰে। এজন আদৰ্শ শিক্ষকে পাঠ্যপুথিৰ শুকান তথ্যবোৰকো বাস্তৱ জীৱনৰ উদাহৰণ, প্ৰকৃতিৰ পৰ্যবেক্ষণ আৰু ৰসাল কাহিনীৰ মাধ্যমেৰে শ্ৰেণীকোঠাত জীৱন্ত কৰি তুলিব পাৰে। বিদ্যালয়ৰ পুথিভঁৰালসমূহ কেৱল তলা বন্ধ আলমাৰিত কিতাপ সজাই ৰখা কোঠা হৈ থকা উচিত নহয়; বৰঞ্চ ই হ'ব লাগে ছাত্ৰ-ছাত্ৰীৰ মুক্ত বিচৰণস্থলী। প্ৰতিটো শ্ৰেণীকোঠাতে ছাত্ৰ-ছাত্ৰীৰ নিজা তত্ত্বাৱধানত এটি ক্ষুদ্ৰ 'গ্ৰন্থ কোণ' গঢ়ি তোলা, সপ্তাহত অন্ততঃ এটা পিৰিয়ড মুক্ত অধ্যয়ন আৰু কিতাপৰ ওপৰত মুকলি আলোচনাৰ বাবে নিৰ্ধাৰণ কৰা উচিত। ছাত্ৰ-ছাত্ৰীয়ে নতুনকৈ পঢ়া কিতাপ এখনৰ বিষয়ে সহপাঠীৰ আগত ক'বলৈ বা বিদ্যালয়ৰ প্ৰাচীৰ পত্ৰিকা আৰু আলোচনীত তাৰ চমু মতামত লিখিবলৈ সুযোগ পালে তেওঁলোকৰ পঠন দক্ষতাৰ লগতে আত্মবিশ্বাসো বৃদ্ধি পায়। অন্যমনস্কতা দূৰ কৰি গভীৰ মনোযোগ গঢ়ি তুলিবলৈ অধ্যয়নৰ কিছুমান বাস্তৱিক কৌশল অৱলম্বন কৰাটোও সমানেই গুৰুত্বপূৰ্ণ। কম সময়ৰ ডিজিটেল সমল চাই অভ্যস্ত হোৱা মন এটাক একেদিনাই দীৰ্ঘসময় ধৰি পঢ়িবলৈ বাধ্য নকৰি, প্ৰথমে দৈনিক পোন্ধৰৰ পৰা বিশ মিনিট নিৰৱচ্ছিন্নভাৱে পঢ়াৰ অভ্যাস গঢ়ি তুলিব লাগে আৰু ক্ৰমান্বয়ে সেই সময় বঢ়াই নিব লাগে। কেৱল চকু ফুৰাই যোৱাৰ সলনি পঢ়ি থাকোঁতে মন স্পৰ্শ কৰা বাক্যবোৰ টুকি ৰখা, নতুন শব্দৰ অৰ্থ বিচাৰি উলিওৱা আৰু এখন নিজস্ব 'পাঠকৰ ডায়েৰী'ত নিজৰ অনুভৱ লিখি ৰখাৰ অভ্যাসে মনক অন্যফালে ভটিয়াই যোৱাৰ পৰা ৰক্ষা কৰে। পঢ়াৰ সময়ত ম'বাইল ফোনটো কাষৰ পৰা আঁতৰাই ৰখা আৰু ৰাতি টোপনি যোৱাৰ পূৰ্বে যান্ত্ৰিক পৰ্দা চোৱাৰ পৰিৱৰ্তে দহ পৃষ্ঠা কিতাপ পঢ়াৰ অভ্যাস কৰিলে একাগ্ৰতা আৰু মানসিক প্ৰশান্তি উভয়েই লাভ কৰা যায়। ইয়াৰ উপৰি ছাত্ৰ-ছাত্ৰীসকলক স্থানীয় গ্ৰন্থমেলা আৰু ৰাজহুৱা গ্ৰন্থাগাৰলৈ লৈ যোৱা উচিত। গ্ৰন্থমেলাৰ অজস্ৰ কিতাপৰ মাজত ঘূৰি ফুৰি নিজৰ হাতেৰে পচন্দৰ কিতাপ এখন বাছি লোৱাৰ যি অনাবিল আনন্দ, সি ছাত্ৰ-ছাত্ৰীৰ হৃদয়ত কিতাপৰ প্ৰতি এক আজীৱন আত্মীয়তা গঢ়ি তোলে।

ছাত্ৰ-ছাত্ৰীক কিতাপমুখী কৰি তোলাটো এদিনীয়া প্ৰচেষ্টাৰ ফল নহয়; ই এক নিৰন্তৰ আৰু সমূহীয়া সাধনা। বিজ্ঞান আৰু প্ৰযুক্তিয়ে আমাক তথ্যৰ ভঁৰাল দিব পাৰে, কিন্তু সেই তথ্যক প্ৰজ্ঞা আৰু মানৱীয় সংবেদনশীলতালৈ ৰূপান্তৰিত কৰাৰ শক্তি কিতাপৰ মাজতহে নিহিত হৈ থাকে। কিতাপক যেতিয়া কেৱল ডিগ্ৰী বা নম্বৰ লাভৰ আহিলা হিচাপে নাচাই জীৱনবোধ, আনন্দ আৰু আত্ম-আৱিষ্কাৰৰ আজীৱন সংগী হিচাপে নৱপ্ৰজন্মৰ হাতত তুলি দিয়া হ'ব, তেতিয়াই তেওঁলোকৰ মনত প্ৰকৃত অধ্যয়নস্পৃহা জাগ্ৰত হ'ব। অভিভাৱকৰ সচেতন সান্নিধ্য, শিক্ষকৰ আন্তৰিক পথ-নিৰ্দেশনা আৰু সমাজৰ ইতিবাচক পদক্ষেপৰ জৰিয়তে আজিয়েই যদি আমি ছাত্ৰ-ছাত্ৰীৰ হাতত এখনকৈ ভাল কিতাপ তুলি দিওঁ, তেন্তে অনাগত দিনত এখন চিন্তাশীল, যুক্তিবাদী আৰু বৌদ্ধিকভাৱে সমৃদ্ধ সমাজ গঢ় লৈ উঠাটো নিশ্চিত।

# ডিজিটেল প্ৰকাশন 'ত্ৰাতৃ'ৰ মাধ্যমেৰে 'জোনাকী মেল'সহ উন্নাভৰ শাৰদীয় সংখ্যা 'শাৰদ অৰ্ঘ্য' উন্মোচন

**অৰিন্দম বপনশ, বোকাখাত ঃ** অসমীয়া ভাষা-সাহিত্যৰ প্ৰসাৰ আৰু প্ৰচাৰৰ ক্ষেত্ৰত যুগোপযোগী পদক্ষেপ গ্ৰহণ কৰি অহা অসমৰ অন্যতম সাহিত্য গোষ্ঠী 'উন্নাভ'ৰ উদ্যোগত ১৭ অক্টোবৰত ডিজিটেল প্ৰকাশন 'ত্ৰাতৃ'ৰ মাধ্যমেৰে দুখনকৈ গ্ৰন্থ উন্মোচন কৰা হয়। গ্ৰন্থ প্ৰকাশৰ ক্ষেত্ৰত ডিজিটেল মাধ্যমক সুদূৰপ্ৰসাৰী কৰাৰ উদ্দেশ্যে 'উন্নাভ'ৰ এই অনুষ্ঠান অনলাইনযোগে অনুষ্ঠিত হয়। সমগ্ৰ অনুষ্ঠানটো সঞ্চালনা কৰে বিশিষ্ট কবি লেখিকা মনালিছা শইকীয়াই। অনুষ্ঠানৰ আৰম্ভণিতে উন্নাভ শোণিতপুৰৰ উপদেষ্টা বিশিষ্ট লেখিকা ৰিঞ্জুমণি নেওগ বৰাই উন্নাভৰ জন্মলগ্নৰ পৰা বৰ্তমানলৈকে যাত্ৰা, কৰ্মধাৰা আৰু অগ্ৰগতিৰ বিষয়ে আলোকপাত কৰি সভাখন উদ্বোধন কৰে। অনুষ্ঠানত মৃদুস্মিতা শৰ্মাৰ মুখ্য সম্পাদনা আৰু বিশিষ্ট কবি লেখিকা মিনাক্ষী দেৱীৰ সম্পাদনাত প্ৰকাশিত শাৰদীয় বিশেষ সংখ্যা 'উন্নাভ শোণিতপুৰ -'শাৰদ অৰ্ঘ্য' উন্মোচন কৰে বিশিষ্ট সাহিত্যিক পিনাকী ভূষণ মহন্তই। আনহাতে, মৃদুস্মিতা শৰ্মাৰ সম্পাদনাত তৃতীয় বছৰ তৃতীয় সংখ্যা শিশু কিশোৰৰ আলোচনী - 'জোনাকী মেল' উন্মোচন কৰে বিশিষ্ট সাহিত্যিক প্ৰদীপ শৰ্মাই। দুখনকৈ গ্ৰন্থ উন্মোচনৰ এই অনুষ্ঠানত 'ত্ৰাতৃ'ৰ স্বত্বাধিকাৰী ত্ৰিদিপ বৰুৱাই অসমীয়া ভাষা-সাহিত্যৰ প্ৰযুক্তিগত বিকাশৰ ক্ষেত্ৰত ডিজিটেল প্ৰকাশন আৰু ই-বুক প্লেটফৰ্মৰ যুগোপযোগী পদক্ষেপৰ গুৰুত্ব সম্পৰ্কে বক্তব্য আগবঢ়ায়। অনুষ্ঠানত উন্নাভৰ মুখ্য উপদেষ্টা মৃদুল শৰ্মা, উন্নাভ শোণিতপুৰৰ উপদেষ্টা ড° চাৰু চহৰীয়া নাথ, বুলজিৎ বুঢ়াগোঁহাই, ড° অঞ্জনা গোস্বামী, নৰহৰি চুতীয়া, আঞ্জুম আৰা হুছেইনকে ধৰি কেইবাগৰাকীও বিশিষ্ট ব্যক্তিয়ে বক্তব্য আগবঢ়াই অনুষ্ঠানটোৰ তাৎপৰ্য আৰু ডিজিটেল মাধ্যমত অসমীয়া ভাষা-সাহিত্যৰ প্ৰসাৰৰ সম্ভাৱনাৰ বিষয়ে আলোকপাত কৰে। মালৱিকা শৰ্মা, কৰৱী গগৈ,পাপৰি দেৱী, দীক্ষা পাঠক খাটনিয়াৰ আৰু মনীষা শৰ্মাই কবিতা পাঠ কৰে। ইয়াৰ উপৰি তেজপুৰৰ বিশিষ্ট সাহিত্যিক গুণকান্ত বৰুৱা, শিশু সাহিত্যিক দিলীপ বৰুৱা, বিশিষ্ট নিবন্ধকাৰ নবীন লহকৰ, উপাসা ভাগৱতী আদিকে ধৰি বহু সাহিত্যপ্ৰেমী অনুষ্ঠানত উপস্থিত থাকে। অসমীয়া ভাষা-সাহিত্যৰ ডিজিটেল যাত্ৰাক অধিক শক্তিশালী কৰাৰ লক্ষ্যৰে গ্ৰন্থ প্ৰকাশৰ এই পদক্ষেপে নতুন সম্ভাৱনাৰ দুৱাৰ মুকলি কৰাৰ আশা প্ৰকাশ কৰা হয়। শেষত সঞ্চালিকা মনালিছা শইকীয়াই শলাগৰ শৰাই আগবঢ়োৱাৰ পাছত অনুষ্ঠানৰ সামৰণি পৰে।




আদি উৎপন্ন হোৱা, 'অজামিল উপাখ্যান'ত অজামিলে বেশ্যাৰ মোহত অন্ধ হোৱা, 'শিশুলীলা'ত পুতনা ৰাসক্ষীৰ ৰূপ বৰ্ণনাত বীভৎস ৰসৰ প্ৰকাশ ঘটা দেখা যায়। আন এবিধ ৰস হ'ল- অদ্ভুত ৰস। যি পৰিস্থিতিত অস্বাভাৱিক বা অলৌকিক বৰ্ণনা উদ্ভৱ হয় তাতে অদ্ভুত ৰসৰ সৃষ্টি হয়। অদ্ভুত ৰসৰ স্থায়ী ভাৱ বিস্ময়। 'শিশুলীলা' খণ্ডত শিশু কৃষ্ণৰ। লীলাৰ মাজত, 'প্ৰহ্লাদ চৰিত্ৰ'ত ভগৱান বিষ্ণুৰ নৰসিংহ অৱতাৰত, 'নাৰদৰ কৃষ্ণ দৰ্শন' আদি খণ্ডত অদ্ভুত ৰসৰ প্ৰকাশ হোৱা দেখা যায়। আন এবিধ ৰস হ'ল - শান্ত ৰস। গভীৰ নিৰাসক্তি বা নিস্পৃহ অৱস্থাত হোৱা ভাৱৰ পৰা শান্ত ৰসৰ সৃষ্টি হয়। শান্ত ৰসৰ স্থায়ী ভাৱ শম। কীৰ্ত্তন ঘোষাৰ বিভিন্ন খণ্ডৰ মাজেৰে ভগৱান কৃষ্ণৰ নাম-গুণ-কীৰ্ত্তন কৰা হৈছে। কীৰ্ত্তনৰ 'প্ৰহ্লাদ চৰিত্ৰ' খণ্ডত এই ৰসৰ প্ৰকাশ ঘটে। এই খণ্ডত ভগৱান নৰসিংহৰ ভয়ংকৰ ৰূপৰ পাছত প্ৰহ্লাদৰ সন্তুতিত শান্ত ৰসৰ উদ্ৰেক হৈছে।

কীৰ্ত্তন ঘোষাৰ বিভিন্ন খণ্ডৰ মাজেৰে নৱৰসৰ উদ্ভৱ হৈছে। কিন্তু এই সকলো ৰসেই অৱশেষত ভক্তিৰসত নিমজ্জিত হৈছে। মহাপুৰুষ শংকৰদেৱে কীৰ্ত্তন ঘোষাৰ আখ্যানসমূহৰ মাজেৰে ভক্তিধৰ্মৰ প্ৰচাৰ কৰিবলৈ প্ৰচেষ্টা চলাইছিল। ভগৱানৰ প্ৰতি ভক্তি থাকিলে সংসাৰৰ সকলো পাপ-তাপৰ পৰা মুক্তি লাভ কৰিব পাৰি। কীৰ্ত্তন ঘোষাত ভক্তিৰসেই মুখ্য স্থান পাইছে। আন ৰসসমূহ গৌণ হিচাপে স্থান পাইছে।

**ম'বাইল ঃ** ৭৩৯৯৯-২৪৬৫৮

## চৰকাৰী চিকিৎসাখণ্ডত অসমৰ ঐতিহাসিক সফলতা

# গুৱাহাটী চিকিৎসা মহাবিদ্যালয় আৰু চিকিৎসালয়ত প্ৰথমবাৰৰ বাবে সফল যকৃত সংৰোপণ

**ৰমেন ভৰালী ঃ** অসমৰ চৰকাৰী চিকিৎসাখণ্ডত এক ঐতিহাসিক সফলতা অৰ্জন কৰি গুৱাহাটী চিকিৎসা মহাবিদ্যালয় চিকিৎসালয়ত 'জি এম চি এইচ' প্ৰথমবাৰৰ বাবে সফলতাৰে যকৃত সংৰোপণ সম্পন্ন কৰা হৈছে। ৰাজ্যৰ স্বাস্থ্যসেৱা ব্যৱস্থাৰ বাবে এয়া এক উল্লেখযোগ্য সাফল্য। এই ঐতিহাসিক পদক্ষেপৰ বিষয়ে এখন সংবাদমেলত সদৰী কৰে অসম চৰকাৰৰ স্বাস্থ্য আৰু পৰিয়াল কল্যাণ বিভাগৰ মন্ত্ৰী অশোক সিংহলে। মন্ত্ৰীগৰাকীয়ে জানিবলৈ দিয়া অনুসৰি, প্ৰায় ১৬ ঘণ্টা ধৰি চলা এই জটিল অস্ত্ৰোপচাৰৰ জৰিয়তে এগৰাকী ৰোগীৰ দেহত তেওঁৰ ভগ্নীৰ যকৃতৰ এটা অংশ সংৰোপণ কৰা হয়। কামৰূপ মহানগৰ জিলাৰ বেহাৰবাৰীৰ ৪৮ বছৰীয়া ৰোগীগৰাকীক তেওঁৰ ৪০ বছৰীয়া ভগ্নীয়ে যকৃতৰ এটা অংশ দান কৰে। চৰকাৰী চিকিৎসা প্ৰতিষ্ঠানত এনে জটিল অস্ত্ৰোপচাৰ সফলতাৰে সম্পন্ন হোৱাটোৱে অসমৰ চিকিৎসা সেৱাৰ ক্ষেত্ৰত নতুন সম্ভাৱনাৰ সৃষ্টি কৰিছে। এই অস্ত্ৰোপচাৰ জি এম চি এইচৰ যকৃত সংৰোপণ তথা যকৃত, অগ্নাশয় আৰু পিত্তনলীৰ অস্ত্ৰোপচাৰ বিভাগৰ বিশেষজ্ঞ চিকিৎসকৰ দলে ডাঃ চেন্থিল কুমাৰৰ নেতৃত্বত সম্পন্ন কৰে। এই জটিল চিকিৎসা প্ৰক্ৰিয়াত হৃদযন্ত্ৰ, বক্ষ আৰু ৰক্তবাহী নলীৰ অস্ত্ৰোপচাৰ বিভাগ, অচেতনকাৰী চিকিৎসা বিভাগ আৰু হস্তক্ষেপমূলক ৰঞ্জন ৰশ্মি বিভাগৰ বিশেষজ্ঞ চিকিৎসকসকলেও সহযোগিতা আগবঢ়ায়। চিকিৎসক, নাৰ্ছ আৰু অন্যান্য স্বাস্থ্যকৰ্মীৰ সমন্বিত প্ৰচেষ্টাৰ ফলতে এই সফলতা সম্ভৱ হৈ উঠে। যকৃত সংৰোপণ এক জটিল চিকিৎসা পদ্ধতি। এনে অস্ত্ৰোপচাৰৰ বাবে বিশেষজ্ঞ চিকিৎসকৰ দক্ষতা, উন্নত চিকিৎসা সঁজুলি, সুপৰিকল্পিত চিকিৎসা ব্যৱস্থা আৰু বিভিন্ন বিভাগৰ মাজত ঘনিষ্ঠ সমন্বয়ৰ প্ৰয়োজন হয়। জি এম চি এইচত এই অস্ত্ৰোপচাৰ সফলতাৰে সম্পন্ন হোৱাটোৱে ৰাজ্যৰ চৰকাৰী চিকিৎসা প্ৰতিষ্ঠানত উন্নত চিকিৎসা সেৱা আগবঢ়োৱাৰ সক্ষমতাক প্ৰতিফলিত কৰিছে। বৰ্তমান যকৃত দাতা আৰু গ্ৰহণকাৰী দুয়োগৰাকীক আই চি ইউত ৰখা হৈছে। চিকিৎসকৰ দলে তেওঁলোকৰ স্বাস্থ্যৰ অৱস্থা নিৰন্তৰ নিৰীক্ষণ কৰি আছে। স্বাস্থ্যৰ অৱস্থাৰ ওপৰত ভিত্তি কৰি পৰৱৰ্তী চিকিৎসা আৰু আৰোগ্যৰ ব্যৱস্থা গ্ৰহণ কৰা হ'ব। উল্লেখযোগ্য যে, ২০২৫ চনত অসমৰ মুখ্যমন্ত্ৰীয়ে জি এম চি এইচত যকৃত সংৰোপণ কাৰ্যসূচীৰ শুভাৰম্ভ কৰিছিল। বৰ্তমান স্বাস্থ্য মন্ত্ৰী অশোক সিংহলৰ নেতৃত্বত আৰু চিকিৎসা শিক্ষা আৰু গৱেষণা বিভাগৰ আয়ুক্ত তথা সচিবৰ দিহা-পৰামৰ্শত এই কাৰ্যসূচী আগবঢ়াই নিয়া হৈছে। জি এম চি এইচত প্ৰথমবাৰৰ বাবে সফলতাৰে যকৃত সংৰোপণ সম্পন্ন হোৱাটোৱে অসমৰ স্বাস্থ্যসেৱাৰ ক্ষেত্ৰত এক নতুন অধ্যায়ৰ সূচনা কৰিছে। ইয়াৰ জৰিয়তে জটিল ৰোগত আক্ৰান্ত ৰোগীসকলক ৰাজ্যৰ ভিতৰতে উন্নত চিকিৎসা সেৱা প্ৰদান কৰাৰ পথ অধিক প্ৰশস্ত হ'ব।

# ভঠেলি উৎসৱে নামনি অসমৰ লোক-সংস্কৃতি, আৰু পৰম্পৰাৰ ঐতিহ্য বহন কৰি আহিছে

■ **জ্যোৎস্না ৰানী বেগম,** পাঞ্জাবাৰী

অসম এখন বাৰেৰহণীয়া লোক সংস্কৃতিৰ আৰু পৰম্পৰা মানি অহা ৰাজ্য। অসমৰ ঠাই বিশেষে নিজা নিজা ঠলুৱা পৰম্পৰা, লোককথা, সংস্কৃতি লোক বিশ্বাস, আচাৰ অনুষ্ঠান নিজস্ব উৎসৱ আদি মানি পালন কৰি আহিছে। এই উৎসৱ ঐতিহ্যৰ ভিতৰত নামনি অসমৰ নিজা ববীয়া উৎসৱ, আৰু পৰম্পৰা। লোককথাৰ ভিতৰত অন্যতম উৎসৱ হৈছে ভঠেলি উৎসৱ। ভঠেলি উৎসৱ নামনি অসমৰ। লোক সংস্কৃতিৰ পৰম্পৰা আৰু সম্প্ৰীতিৰ এক অনন্য নিদৰ্শন। এই উৎসৱ বিশেষভাৱে পালন কৰা হয়, কামৰূপ জিলাৰ ৰামদিয়াৰ কুৰিদিনীয়া ভঠেলি উৎসৱ, নলবাৰী জিলাৰ বৰক্ষেত্ৰী, বজালীৰ কুৰিদিনীয়া ভঠেলি উৎসৱ পালন কৰা হয়। অসমৰ বিভিন্ন অঞ্চলত ব'হাগ মাহত উদ্‌যাপিত এই উৎসৱে অসমৰ গ্ৰাম্য জীৱন, কৃষিভিত্তিক সমাজ, প্ৰকৃতিৰ সৈতে মানুহৰ সম্পৰ্ক আৰু সামূহিক জীৱনৰ পৰিচয় বহন কৰি আহিছে।

ভঠেলি নামনি অসমৰ এক প্ৰাচীন লোক-উৎসৱ। অসমীয়া ব'হাগ মাহত, বিশেষকৈ ৰঙালী বিহুৰ সময়ছোৱাত বা তাৰ আশে-পাশে অঞ্চলভেদে বিভিন্ন দিনত এই উৎসৱ পালন কৰা হয়। কামৰূপ জিলাৰ ৰামদিয়া, নলবাৰী জিলাৰ বেলশৰ, বৰনৰ্দী, বাটছৰ আদি অঞ্চলত ভঠেলি উৎসৱৰ বিশেষ পৰম্পৰা দেখা যায়।

নামনি অসমৰ বিভিন্ন অঞ্চলত একেধৰণৰ বসন্তকালীন উৎসৱ ভিন্ন নামেৰেও পৰিচিত। সেয়েহে ভঠেলিক কেৱল এটা নিৰ্দিষ্ট গাঁৱৰ উৎসৱ হিচাপে নহয়, বৰং বৃহত্তৰ নামনি অসমৰ লোক-ঐতিহ্যৰ অংশ হিচাপে ধৰা হয়, মুঠতে ই বসন্তকালীন উৎসৱ হিচাপে পালন কৰা হয়। এই উৎসৱৰ সময়ত প্ৰতিক হিচাপে দুদাল বাহ গছ কাটি আনি ভালদৰে চাচি চুৰুকি লৈ, তাত নতুন গামোচা মেৰিয়াই, ফুলৰ মালা পিন্ধাই দিয়ে।

কিছুমান অঞ্চলত এই সজ্জিত বাঁহক 'পাৰ' বা 'পাউৰা' বুলি কোৱা হয়। এই দুয়ো দাল বাঁহক দৰা-কইনাৰ প্ৰতীক হিচাপেও গণ্য কৰা হয়। অৱশ্যে এই পৰম্পৰা সকলো অঞ্চলতে একে নহয়। কোনো কোনো ঠাইত এই উৎসৱক ভঠেলি বা পাউৰা তোলা উৎসৱ বুলি কয়।

এই সকলোবোৰ ৰীতি-নীতিৰ মাজেৰে ভঠেলি উৎসৱে স্থানীয় সমাজৰ ধৰ্মীয় বিশ্বাস আৰু সাংস্কৃতিক পৰম্পৰা ৰক্ষা কৰি আহিছে।

লোক-সংস্কৃতিৰ গৱেষকসকলে ভঠেলিৰ সৈতে কৃষিভিত্তিক সমাজৰ উৰ্বৰতা-সম্পৰ্কীয় লোকবিশ্বাসৰ সংযোগৰ কথাও উল্লেখ কৰিছে। প্ৰকৃতিৰ প্ৰাচুৰ্য, শস্যৰ উৎপাদন আৰু জীৱনৰ মংগল কামনাৰ দৰে ধাৰণাই এনে লোক-উৎসৱৰ তাৎপৰ্য বুজিবলৈ সহায় কৰে।

বাঁহ অসমৰ গ্ৰাম্য জীৱনৰ এক অপৰিহাৰ্য সম্পদ। ঘৰ-দুৱাৰ নিৰ্মাণৰ পৰা আৰম্ভ কৰি কৃষিকাৰ্য আৰু বিভিন্ন সামাজিক অনুষ্ঠানলৈকে বাঁহৰ ব্যৱহাৰ অপৰিহাৰ্য। ভঠেলি উৎসৱত বাঁহৰ বিশেষ স্থান থকাটোৱে অসমৰ পৰম্পৰাগত জীৱনধাৰা আৰু প্ৰাকৃতিক সম্পদৰ সৈতে মানুহৰ সম্পৰ্কৰ কথাও সোঁৱৰাই দিয়ে।

ভঠেলি উৎসৱত ঠায়ে ঠায়ে মেলা অনুষ্ঠিত হয়। য'ত গ্ৰাম্য অৰ্থনীতি এটা গুৰুত্বপূৰ্ণ দিশ। এই উৎসৱ উপলক্ষে বিভিন্ন ঠাইত মানুহৰ সমাগম ঘটে। স্থানীয় ব্যৱসায়ী, ক্ষুদ্ৰ উদ্যোগী, হস্তশিল্পী আৰু কৃষকসকলৰ বাবে এনে মেলাই নিজৰ সামগ্ৰী প্ৰদৰ্শন আৰু বিক্ৰী কৰাৰ সুযোগ লাভ কৰে।

বিশেষকৈ হাজোৰ ৰামদিয়াৰ ভঠেলি উৎসৱে দীৰ্ঘদিনীয়া ঐতিহ্যৰ লগতে মেলা আৰু সামাজিক সমাৱেশৰ বাবে বিশেষ পৰিচিতি হৈ উঠিছে। এই উৎসৱ আৰু পৰম্পৰাক সংৰক্ষণ কৰাৰ লগতে স্থানীয় উৎপাদিত সামগ্ৰী সমূহ ব্যৱসায় সৈতে প্ৰচাৰ আৰু প্ৰসাৰ কৰাটো বৰ্তমান সময়তো যথেষ্ট প্ৰয়োজন হৈ পৰিছে।

ভঠেলি উৎসৱৰ ঐতিহ্য কেৱল ধৰ্মীয় আচাৰ-অনুষ্ঠানত সীমাবদ্ধ নহয়। ইয়াৰ মাজত আছে মানুহৰ মিলন, আনন্দৰ ভাগ-বতৰা আৰু নিজৰ অঞ্চলৰ পৰম্পৰাক একেলগে জীয়াই ৰখাৰ প্ৰৱণতা।

নামনি অসমৰ ভঠেলি উৎসৱৰ কথা আলোচনা কৰিলে কামৰূপ জিলাৰ ৰামদিয়াৰ নাম বিশেষভাৱে উল্লেখ কৰিবলগীয়া। ৰামদিয়াৰ ভঠেলি উৎসৱ দীৰ্ঘদিনীয়া ঐতিহাসিক আৰু ধৰ্মীয় পৰম্পৰাৰ সৈতে জড়িত। স্থানীয় লোকবিশ্বাস আৰু বৈষ্ণৱ ঐতিহ্যৰ প্ৰভাৱে ইয়াৰ উদ্‌যাপনক এক বিশেষ স্বকীয়তা প্ৰদান কৰিছে।

ৰামদিয়াৰ ভঠেলি উৎসৱৰ সৈতে স্থানীয় সত্ৰীয়া পৰম্পৰা আৰু ধৰ্মীয় অনুষ্ঠানৰ সম্পৰ্ক আছে। সেয়েহে ভঠেলি উৎসৱক কেৱল বছৰৰ এটা নিৰ্দিষ্ট উৎসৱ বুলি পালন কৰি ঐতিহ্যৰ সংৰক্ষণ কৰাৰ লগতে ভৱিষ্যৎ প্ৰজন্মক নিজৰ শিপাৰ সৈতে চিনাকি কৰাই দিয়াটো আমাৰ প্ৰয়োজন। লগতে ই আমাৰ অসমৰ বাৰেৰহণীয়া সাংস্কৃতিক অধিক সমৃদ্ধ কৰিব। অনাগত দিনত এই উৎসৱ আৰু বহুলভাৱে প্ৰচাৰ আৰু প্ৰসাৰ হৈ বিশ্বৰ প্ৰান্তে প্ৰান্তে চিনাকি হয় যেন।

**ম'বাইল ঃ** ৭৪৮৬০-৩৭৮৭৬

# শিক্ষক, কবি বিতোপন গগৈলৈ বাবা চাহেব ড° আম্বেদকাৰ ৰাষ্ট্ৰীয় ফেল'শ্বিপ বঁটা

**বিশেষ সংবাদদাতা, শিমলুগুৰি ঃ** লখিমপুৰ জিলাৰ নাৰায়ণপুৰৰ শিমলুগুৰিৰ নতুন দাধৰা গাঁৱৰ নিৱাসী তথা শিমলুগুৰি চৰকাৰী নিম্ন বুনিয়াদী বিদ্যালয়ৰ শিক্ষক বিতোপন গগৈক ভাৰতীয় দলিত সাহিত্য একাডেমী-২০২৬ বৰ্ষৰ বাবা চাহেব ড° আম্বেদকাৰ ৰাষ্ট্ৰীয় ফেল'শ্বিপ বঁটাৰ বাবে মনোনীত কৰা হৈছে। দিহিৰি অ' দিহিৰি, শেৱালি ফুলা উৰুলি, হেংদানত তেজৰ দাগ আৰু মেল'ডিজ কাব্যগ্ৰন্থ লগতে প্ৰবন্ধ সংকলন 'আলিবাট'ৰ স্ৰষ্টা বিতোপন গগৈক ইতিমধ্যে সদৌ অসম কবি সন্মিলনৰ 'আনন্দ চন্দ্ৰ দত্ত বৰুৱা বঁটা আৰু 'এবেকাচ'ৰ কাব্যশ্ৰী সন্মানেৰে সন্মানিত কৰা হৈছে। শিমলুগুৰি শাখা সাহিত্য সভাৰ সভাপতি, লখিমপুৰ জিলা সাহিত্য সভাৰ প্ৰাক্তন পত্ৰিকা সম্পাদক, প্ৰাক্তন সমল শিক্ষক বিতোপন গগৈ পূৰ্বে সংবাদ সেৱাৰ লগতো জড়িত আছিল। উল্লেখ্য যে, অহা ১২ আৰু ১৩ ডিচেম্বৰত দিল্লীত অনুষ্ঠিতব্য ভাৰতীয় দলিত সাহিত্য একাডেমীৰ ৪২ সংখ্যক ৰাষ্ট্ৰীয় সমাৰোহত প্ৰদান কৰিব লগীয়া এই বঁটাত মানপত্ৰ আৰু স্মাৰকৰ লগতে নগদ ধন আছে বুলি ভাৰতীয় দলিত সাহিত্য একাডেমীৰ অসম শাখাৰ সম্পাদক জয়ন্ত শইকীয়াই জানিবলৈ দিছে।

# চিকিৎসক-নাৰ্ছ, স্বাস্থ্যকৰ্মী তথা কৰ্মচাৰীসকল অধিক সচেতন আৰু দায়বদ্ধ হওক ঃ ডাঃ অভিজিৎ শৰ্মা

## শিৱসাগৰ অসামৰিক চিকিৎসালয় পৰিদৰ্শন NHM ৰ কাৰ্য্যবাহী সঞ্চালকৰ




**অমৃত কুমাৰ শৰ্মা, শিৱসাগৰ ঃ** জয়সাগৰস্থিত শিৱসাগৰ অসামৰিক চিকিৎসালয়খন ২৩ অক্টোবৰ, শুকুৰবাৰে ৰাষ্ট্ৰীয় স্বাস্থ্য অভিযান, অসমৰ কাৰ্য্যবাহী সঞ্চালক ডাঃ অভিজিৎ শৰ্মাই পৰিদৰ্শন কৰে। চিকিৎসালয়খনৰ বিভিন্ন বিভাগ আৰু স্বাস্থ্যসেৱাসমূহ পৰিদৰ্শন কৰি তেওঁ সন্তুষ্টি প্ৰকাশ কৰাৰ লগতে চিকিৎসালয়খনৰ সৰ্বাংগীণ উন্নয়নৰ বাবে চৰকাৰৰ সন্মুখত প্ৰয়োজনীয় বিষয়সমূহ উত্থাপন কৰা হ'ব বুলি মন্তব্য কৰে। উল্লেখযোগ্য যে, পৰিদৰ্শনকালত ডাঃ শৰ্মাই চিকিৎসালয়খনৰ এক্স-ৰে, চিটি স্কেন, ৰক্ত ভঁৰাল, প্ৰসূতি কক্ষ, প্ৰসৱোত্তৰ কক্ষ (Postnatal Room) আৰু বিশেষ নৱজাতক যত্ন কেন্দ্ৰ (SNCU) আদি গুৰুত্বপূৰ্ণ বিভাগৰ সেৱাসমূহৰ বুজ লোৱা পৰিলক্ষিত হয়। ইয়াৰ উপৰি চিকিৎসালয়খনৰ বিভিন্ন ৱাৰ্ডত চিকিৎসাধীন হৈ থকা ৰোগীসকলৰ সৈতে মত-বিনিময় কৰি তেওঁলোকৰ চিকিৎসা, উপলব্ধ সা-সুবিধা আৰু চিকিৎসালয়খনৰ সেৱা সম্পৰ্কে খবৰ লয়। আনহাতে শিৱসাগৰ অসামৰিক চিকিৎসালয়খনৰ উন্নয়ন আৰু ৰোগীসকলক উন্নত মানৰ স্বাস্থ্যসেৱা প্ৰদানৰ ক্ষেত্ৰত আন্তঃগাঁথনিৰ উন্নয়ন তথা প্ৰয়োজনীয় মানৱ সম্পদৰ উপলব্ধতা যে অত্যন্ত গুৰুত্বপূৰ্ণ, সেই দিশসমূহৰ প্ৰতিও পৰিদৰ্শনকালত ডাঃ অভিজিৎ শৰ্মাৰ দ্বাৰা গুৰুত্ব আৰোপ কৰা হয়। লগতে চিকিৎসালয়ত খালী হৈ থকা বিভিন্ন পদসমূহ শীঘ্ৰে পূৰণ কৰাৰ বিষয়টোও চৰকাৰৰ সন্মুখত উত্থাপন কৰা হ'ব বুলিও কাৰ্য্যবাহী সঞ্চালকগৰাকীয়ে উল্লেখ কৰে। ইয়াৰ জৰিয়তে চিকিৎসালয়খনৰ চিকিৎসা সেৱা অধিক শক্তিশালী কৰাৰ লগতে ৰোগীসকলক উন্নত আৰু সময়োপযোগী স্বাস্থ্যসেৱা প্ৰদানৰ ক্ষেত্ৰত সহায়ক হ'ব বুলি আশা প্ৰকাশ কৰা হৈছে। শিৱসাগৰ অসামৰিক চিকিৎসালয়খন জিলাখনৰ এক গুৰুত্বপূৰ্ণ স্বাস্থ্যসেৱা কেন্দ্ৰ। চিকিৎসালয়খনৰ সৰ্বাংগীণ উন্নয়ন, প্ৰয়োজনীয় সা-সুবিধাৰ সম্প্ৰসাৰণ আৰু খালী পদসমূহ পূৰণৰ ক্ষেত্ৰত চৰকাৰৰ পৰৱৰ্তী পদক্ষেপে জিলাখনৰ স্বাস্থ্যসেৱা ব্যৱস্থাক অধিক গতিশীল কৰি তুলিব বুলি আশা কৰা হৈছে। পৰিদৰ্শনকালত ডাঃ অভিজিৎ শৰ্মাই চিকিৎসালয়খনত সংক্ৰমণ প্ৰতিৰোধ আৰু নিয়ন্ত্ৰণ (Infection Control) ব্যৱস্থাৰ ওপৰত বিশেষ গুৰুত্ব আৰোপ কৰে। চিকিৎসালয়ৰ পৰিৱেশ পৰিস্কাৰ-পৰিচ্ছন্ন কৰি ৰখা, সংক্ৰমণ প্ৰতিৰোধৰ নিৰ্ধাৰিত নীতি-নিৰ্দেশনা মানি চলা আৰু ৰোগীসকলৰ সুৰক্ষা সু-নিশ্চিত কৰাৰ ক্ষেত্ৰত চিকিৎসক, নাৰ্ছ, স্বাস্থ্যকৰ্মীকে ধৰি চিকিৎসালয়ৰ সকলো কৰ্মচাৰীক অধিক সচেতন আৰু দায়বদ্ধ হ'বলৈ তেওঁ আহ্বান জনায়। ৰোগীসকলক সংক্ৰমণৰ পৰা সুৰক্ষিত ৰখাৰ বাবে চিকিৎসালয়ৰ প্ৰতিগৰাকী কৰ্মচাৰীৰ সক্ৰিয় সহযোগিতা আৰু সামূহিক প্ৰচেষ্টা অত্যন্ত প্ৰয়োজনীয় বুলি তেওঁ উল্লেখ কৰে। পৰিদৰ্শনকালত তেওঁক সংগ দিয়ে জিলা ভাৰপ্ৰাপ্ত যুটীয়া স্বাস্থ্যসেৱা সঞ্চালক ডাঃ অৰুন্ধতী বৰা হাজৰিকা, জিলা গণমাধ্যম বিশেষজ্ঞ অঞ্জুশ্ৰী ফুকন, ডি পি এম আৰু চিকিৎসালয়ৰ চিকিৎসকসকলে।

# সেৱা ভাৰতী আদিংগিৰী, মালিগাঁৱৰ প্ৰশংসনীয় পদক্ষেপ হকী প্ৰশিক্ষণ শিবিৰৰ আয়োজন

## কৃষক নেতা ৰঞ্জিত কুমাৰ ভট্টাচাৰ্যৰ অংশগ্ৰহণ




**ৰমেন ভৰালী, বংশৰ ঃ** যুৱ প্ৰজন্মৰ মাজত ক্ৰীড়া সংস্কৃতিৰ বিকাশ আৰু সুস্থ সমাজ গঠনৰ লক্ষ্যৰে সেৱা ভাৰতী আদিংগিৰী, মালিগাঁৱে এক প্ৰশংসনীয় পদক্ষেপ গ্ৰহণ কৰিছে। সংগঠনটোৰ উদ্যোগত যোৱা ২৩ অক্টোবৰত মালিগাঁৱত এখনি হকী প্ৰশিক্ষণ শিবিৰৰ আয়োজন কৰা হৈছে। উক্ত শিবিৰত অঞ্চলটোৰ বহু সংখ্যক উদীয়মান খেলুৱৈয়ে উৎসাহেৰে অংশগ্ৰহণ কৰিছে। শিবিৰস্থলীত উপস্থিত থাকি প্ৰশিক্ষাৰ্থীসকলক উৎসাহিত কৰে ভাৰতীয় জনতা পাৰ্টিৰ কৃষক মৰ্চাৰ অসম ৰাজ্যিক সাধাৰণ সম্পাদক ৰঞ্জিত কুমাৰ ভট্টাচাৰ্য ডাঙৰীয়াই। তেওঁ প্ৰতিগৰাকী প্ৰশিক্ষাৰ্থীৰ উজ্বল ভৱিষ্যৎ আৰু সফলতা কামনা কৰি আন্তৰিক শুভেচ্ছা জ্ঞাপন কৰে। এই উপলক্ষে কৃষক নেতা শ্ৰী ভট্টাচাৰ্যই কয়, 'এই প্ৰশিক্ষণ শিবিৰ কেৱল হকী খেলৰ কৌশল শিকাৰ মঞ্চ নহয়। ই যুৱ প্ৰজন্মৰ মাজত শৃংখলাবোধ, একতা, সহযোগিতা আৰু দলীয় মনোভাৱ গঢ়ি তোলাৰ এক শক্তিশালী মাধ্যম। ক্ৰীড়াৰ জৰিয়তে শাৰীৰিক আৰু মানসিকভাৱে সবল যুৱ প্ৰজন্ম গঢ়ি উঠিলেহে এখন সুস্থ সমাজ গঢ়ি উঠিব। সেৱা ভাৰতীৰ এই প্ৰচেষ্টা সঁচাকৈয়ে প্ৰশংসনীয়।' শিবিৰত অভিজ্ঞ প্ৰশিক্ষকসকলে প্ৰশিক্ষাৰ্থীসকলক হকী খেলৰ মৌলিক নিয়ম, আধুনিক কৌশল, ফিটনেছ আৰু খেলুৱৈসুলভ শৃংখলাৰ বিষয়ে হাতে-কামে প্ৰশিক্ষণ প্ৰদান কৰে। অনুষ্ঠানত সেৱা ভাৰতীৰ বিষয়ববীয়া, স্থানীয় বিশিষ্ট ব্যক্তি আৰু অভিভাৱকসকল উপস্থিত থাকে।

# উৰুখা পঁজাৰ পৰা অলিম্পিকৰ সপোন বিশ্ব জয়ৰ লক্ষ্যৰে নিকিতা কলিতাৰ যাত্ৰা




**ৰমেন ভৰালী, বংশৰ ঃ** দৰিদ্ৰতাই কেতিয়াও সপোনৰ বাটত হেঙাৰ হ'ব নোৱাৰে, তাকেই প্ৰমাণ কৰি দেখুৱাইছে কামৰূপ জিলাৰ পছৰীয়াৰ এগৰাকী সাধাৰণ ঘৰৰ যুৱতী নিকিতা কলিতাই। উৰুখাৰে চালি লোৱা এটা সৰু পঁজাৰ পৰা আৰম্ভ কৰা জীৱন সংগ্ৰামৰ মাজতে হাতত লেক্ৰছ খেলৰ ষ্টিক লৈ বিশ্ব জয়ৰ লক্ষ্যৰে আগবাঢ়িছে নিকিতা। অভাৱ-অনাটনৰ মাজতো মনৰ দৃঢ়তা আৰু কঠোৰ পৰিশ্ৰমেৰে তাই আজি ৰাষ্ট্ৰীয় আৰু আন্তঃৰাষ্ট্ৰীয় পৰ্যায়ত খেলাৰ সুযোগ লাভ কৰিবলৈ সক্ষম হৈছে। জানিব পৰা মতে, সৰুৰে পৰা খেলৰ প্ৰতি থকা আকৰ্ষণ আৰু অদম্য ইচ্ছাশক্তিৰ বলতে নিকিতাই লেক্ৰছ খেলক নিজৰ জীৱনৰ লক্ষ্য হিচাপে বাছি লয়। ভাৰতত এতিয়াও বিশেষভাৱে পৰিচিত নহয় যদিও অলিম্পিকত অন্তৰ্ভুক্ত হ'বলগীয়া এই খেলবিধত তাই নিজৰ প্ৰতিভাৰে সকলোৰে দৃষ্টি আকৰ্ষণ কৰিছে। বৰ্তমান নিকিতাৰ এটাই সপোন-নীলা জাৰ্চী পিন্ধি দেশৰ হৈ অলিম্পিকত খেলা। দেশৰ বাবে পদক আনিবলৈ তাই দিন-ৰাতি কঠোৰ অনুশীলন চলাই আছে। স্থানীয় ৰাইজে কয়, 'নিকিতা আমাৰ গাঁৱৰ গৌৰৱ। তাইৰ সফলতাই প্ৰমাণ কৰে যে সুবিধা নহয়, সদিচ্ছাহে আচল।' অৱশ্যে আৰ্থিক দৈন্যতাই তাইৰ এই যাত্ৰাত বাধাৰ সৃষ্টি কৰিছে। উন্নত প্ৰশিক্ষণ আৰু প্ৰয়োজনীয় ক্ৰীড়া সঁজুলিৰ অভাৱত তাইৰ সপোন যাতে থমকি নৰয়, তাৰ বাবে ৰাইজে চৰকাৰ আৰু সহৃদয় লোকৰ সহায়-সহযোগিতা কামনা কৰিছে। উৰুখা পঁজাৰ পৰা অলিম্পিকলৈকে নিকিতাৰ এই যাত্ৰা সঁচাকৈয়ে হাজাৰজন যুৱতীৰ বাবে অনুপ্ৰেৰণাৰ উৎস হৈ ৰ'ব।

# শিৱসাগৰত কৃষিমন্ত্ৰী পীযুষ হাজৰিকাৰ উপস্থিতিত বিশেষ কৃষক সভা আৰু পুলি বিতৰণ অনুষ্ঠান

**অমৃত কুমাৰ শৰ্মা, শিৱসাগৰ ঃ** ভয়াৱহ বানপানীৰ ফলত ক্ষতিগ্ৰস্ত কৃষকসকলক কৃষিকাৰ্য্যৰ সৈতে পুনৰ জড়িত হ'বলৈ উৎসাহিত কৰা আৰু কৃষিভিত্তিক অৰ্থনীতিৰ বিকাশৰ লক্ষ্যৰে ২৭ অক্টোবৰ, মঙলবাৰে শিৱসাগৰত এক বিশেষ কৃষক সভা আৰু পুলি বিতৰণ কাৰ্য্যসূচী অনুষ্ঠিত হয়। উল্লেখযোগ্য যে, শিৱসাগৰ জিলা কৃষি বিভাগৰ উদ্যোগত আয়োজিত এই কাৰ্য্যসূচীত শিৱসাগৰ আৰু চৰাইদেউ জিলাৰ বানাক্ৰান্ত কৃষকসকলৰ মাজত ২০ হাজাৰ তামোলৰ পুলি আৰু ২০ হাজাৰ নাৰিকলৰ পুলি বিতৰণ কৰা হয়। পৰৱৰ্তী সময়ত আৰু ৮০ হাজাৰ তামোলৰ পুলি আৰু ৩০ হাজাৰ নাৰিকলৰ পুলি বিতৰণ কৰা হ'ব। শিৱসাগৰ চৰকাৰী উচ্চতৰ মাধ্যমিক বহুমুখী বিদ্যালয়ৰ বৰ্ডিং খেলপথাৰত অনুষ্ঠিত এই কৃষক সভাত অসম চৰকাৰৰ কৃষি, জলসিঞ্চন আৰু সংসদীয় পৰিক্ৰমা বিভাগৰ মন্ত্ৰী পীযুষ হাজৰীকাই মুখ্য অতিথি হিচাপে অংশগ্ৰহণ কৰি কৃষকক পুলি বিতৰণ কৰে। লগতে কৃষক সভাত কৃষিমন্ত্ৰীগৰাকীয়ে কৃষক ৰাইজৰ সৈতে মত-বিনিময়ো কৰে। আনহাতে অনুষ্ঠানত জলসম্পদ মন্ত্ৰী সুশান্ত বৰগোহাঁই,



নাজিৰা সমষ্টিৰ বিধায়ক ময়ূৰ বৰগোহাঁই আৰু শিৱসাগৰ সমষ্টিৰ বিধায়ক অখিল গগৈ, শিৱসাগৰ জিলা আয়ুক্ত মৃদুল য়াদৱ, অসম চৰকাৰৰ কৃষি বিভাগৰ অতিৰিক্ত সচিব তথা অসম বীজ নিগমৰ পৰিচালন সঞ্চালক নয়নজ্যোতি ভাগৱতী, উদ্যান শস্য আৰু খাদ্য সংসাধন বিভাগৰ সঞ্চালক নৃপেন দাস, জিলা কৃষি বিষয়া অমৃত শইকীয়াৰ লগতে জিলা প্ৰশাসন আৰু কৃষি বিভাগৰ বিষয়া-কৰ্মচাৰীসকল উপস্থিত থাকে।

# অসমীয়া সমাজত কলাখাৰৰ পৰম্পৰা

■ **নমিতা দাস,** শুৱালকুছি

অসমীয়া লোক সংস্কৃতি আৰু অসমীয়া সমাজত কলাখাৰৰ ব্যৱহাৰ অন্যতম পৰম্পৰা হিচাপে অতিজৰে পৰা চলি আছে। অসমীয়া সপ্তম মাহ, কাতি মাহৰ কলাখাৰ উত্তম খাৰ হয়। কাৰণ কাতি মাহত বৰষুণৰ প্ৰয়োভৰ নাথাকে। শৰৎ কালৰ আহিন, কাতি মাহৰ প্ৰখৰ ৰ'দ, আনফালে খেতি পথাৰৰ কামো শেষ হৈ ভঁৰাল খালি হয়। এই সময় খিনিত কলাখাৰ বনাবলৈ উত্তম সময় হিচাপে অসমীয়া গ্ৰাম্য সমাজখনত থকা পৰিয়াল সকলৰ পৰম্পৰা হিচাপে কাতি মাহতে কলাখাৰ প্ৰস্তুত কৰে। কলাখাৰ প্ৰস্তুত কৰিবলৈ প্ৰধানকৈ ভীমকল ব্যৱহাৰ কৰা হয় যদিও অইন কলৰ পৰাও খাৰ বনাব পাৰি, কিন্তু ভীমকলত কৈ অইন কলৰ চোক কম হয়। ভীমকলৰ বাকলি, গা-গছ বা মুৰা সৰু সৰু কৈ কাটি ৰ'দ ত শুকাবলৈ দি সম্পূৰ্ণ শুকান হৈ পৰাৰ পিছত সেইখিনি পুৰি ছাই কৰা হয়। সেই ছাই খিনিৰ পৰাই খাৰ প্ৰস্তুত কৰিবলৈ নাৰিকলৰ কোৰোকা ব্যৱহাৰ কৰা হয় নাৰিকলৰ কোৰোকাত তলৰ ফালে সৰুকৈ ফুটা এটা কৰি ফুটাটোত পুৰণি কাপোৰেৰে শলিতাৰ দৰে কৰি সুমুৱাই দি ছাইখিনি কোৰোকাতোত দি তাত পানী দিয়া হয় আৰু কোৰোকাটো পাত্ৰ এটাৰ ওপৰত এনেকৈ ৰখা হয় যাতে ছাইখিনিৰ পৰা কাপোৰখনেৰে নিগৰি টোপ টোপ কৈ পানী আহি পাত্ৰটোত পৰে আৰু সেয়াই খাৰ হিচাপে ব্যৱহাৰ কৰা হয়। এই খাৰ বছৰ বছৰ ধৰি ব্যৱহাৰৰ উপযোগী হৈ থাকে। মুখে মুখে এটা প্ৰৱচন আছে যে অসমীয়া সকলে খাৰ খাই ভাল পায়। খাৰে বদহজমী নোহোৱা কৰাৰ লগতে শৰীৰৰ অম্লতাৰ লগতে এচিডিটি হ্ৰাস কৰে। আগৰ দিনত কলাখাৰ প্ৰচুৰ পৰিমানে ব্যৱহাৰ কৰা হৈছিল দোকানৰ চৌদাৰ সলনি প্ৰতি ঘৰ লোকে ঘৰতে খাৰ প্ৰস্তুত কৰি ব্যৱহাৰৰ উপযুক্ত কৰিছিল। সোৱাদ যুক্ত কৰিবলৈ মাটি ডাইলত খাৰ দি ৰঙা কৰি খোৱাৰ, লগতে বিভিন্ন ব্যঞ্জনত খাৰ ব্যৱহাৰ কৰি সোৱাদ যুক্ত আহাৰ তৈয়াৰ কৰা হয়। খোৱা ব্যঞ্জনতে যে খাৰ ব্যৱহৃত হয় তেনে নহয়। কাপোৰ পৰিস্কাৰ কৈ ধুবলৈ পানী গৰম কৰি তাত খাৰ দি সেই পানীত কাপোৰ দি কাপোৰ ধোৱা হয়। চুলিৰ তেলেতিয়া ভাব আঁতৰাই পৰিস্কাৰ কৰিবলৈ মুৰ ধোৱা কাৰ্য্যতো খাৰ ব্যৱহাৰ কৰা হয়। মুঠতে অসমীয়া সমাজৰ কলাখাৰৰ লগত ওতঃপোত সম্পৰ্ক আছে।

কিন্তু বৰ্তমানৰ কৃত্ৰিমতাই খাৰৰ ব্যৱহাৰ কমাই আনিছে। কলাখাৰ প্ৰস্তুত কৰিবলৈ উপযুক্ত ঠাইৰ অভাৱ বা সময়ৰ অভাৱ নতুবা এলাহে এতিয়া গ্ৰাম্য সমাজ জীৱনতো কলাখাৰৰ প্ৰয়োভৰ কমাইছে। বজাৰত ওলোৱা চৌদাহে বিভিন্ন ব্যঞ্জনত ব্যৱহাৰ কৰা হয় কাপোৰ ধুবলৈ চাৰ্ফ-চাবোন আৰু মুৰ ধুবলৈ চেম্পো ব্যৱহাৰ কৰা হয়। ইমান খিনিৰ পিছতো ক'ৰবাত যেন অতীজৰ কলাখাৰৰ সোৱাদ গ্ৰাম্য সমাজৰ লগতে নগৰ চহৰতো প্ৰচলিত হৈ আছে। সেয়ে হয়তো চহৰ, নগৰতো ইয়াৰ ব্যৱহাৰ নুই কৰিব নোৱাৰি, বৰ্তমান সময়ত কলাখাৰৰ গুণাগুণৰ প্ৰতি লক্ষ্য ৰাখি বজাৰতো কলাখাৰৰ ক্ৰেতা-বিক্ৰেতা দেখিবলৈ পোৱা যায়। বটলত কিনিবলৈ পোৱা কলাখাৰে তাৰ প্ৰমাণ সূচায়।

**ম'বাইল ঃ** ৯১০১৮-৩৪৯৪৫

# নলবাৰীত একাদশ সংখ্যক ঊষা চন্দ্ৰ ডেকা স্মাৰক বক্তৃতা অনুষ্ঠানৰ আয়োজন

**নগেন তালুকদাৰ, নলবাৰী ঃ** নলবাৰী জিলা পুথিভঁৰালত অহা ১/১১/২০২৬ তাৰিখ দেওবাৰে দিনৰ ২ বজাত একাদশ সংখ্যক ঊষা চন্দ্ৰ ডেকা স্মাৰক বক্তৃতা অনুষ্ঠান আয়োজন কৰা হৈছে। এই অনুষ্ঠানত সুদূৰ ইউৰোপ মহাদেশৰ ফিনলেণ্ড নিৱাসী তথা আন্তৰ্জাতিক ব্ৰহ্মবিদ্যা সমাজৰ সম্পাদিকা মিছ মাৰ্জা আৰ্তামাই এক মনোজ্ঞ বক্তৃতা প্ৰদান কৰিব। সভাত আদৰণি ভাষণ প্ৰদান কৰিব নলবাৰী জিলাৰ আয়ুক্ত নিবেদন দাস পাটোৱাৰীৰ লগতে ঊষা চন্দ্ৰ ডেকাৰ নাতি ল'ৰা মানস প্ৰতিম ডেকাই। ঊষা চন্দ্ৰ ডেকাৰ পৰিয়ালৰ সহযোগত নলবাৰী জিলা ব্ৰহ্মবিদ্যা সমাজৰ 'লজ' সমন্বয় সমিতিয়ে আয়োজন কৰা এই বক্তৃতা অনুষ্ঠানত নিৰ্ধাৰিত সময়তকৈ অন্ততঃ ১০ মিনিট আগেয়ে সভা গৃহত উপস্থিত হ'বলৈ আয়োজকসকলে নলবাৰী জিলাৰ ব্ৰহ্মবিদ্যা সমাজৰ সদস্য-সদস্যাসকলৰ লগতে বিশেষভাৱে নিমন্ত্ৰণ কৰা শুভাকাংক্ষীসকলক অনুৰোধ জনাইছে।

# জ্যেষ্ঠ চিকিৎসক, সমাজকৰ্মী ডাঃ ধীৰেন্দ্ৰ নাথ হাজৰিকাৰ মৃত্যু

**বিশেষ সংবাদদাতা, নগাঁও ঃ** দুৰ্গোৎসৱৰ আনন্দ উল্লাসৰ মাজতে নগাঁৱৰ উৰিয়াগাঁও নিৱাসী সমাজকৰ্মী, লেখক, জ্যেষ্ঠ চিকিৎসক ডাঃ ধীৰেন্দ্ৰ নাথ হাজৰিকা (৭৫)ৰ বাৰ্ধক্যজনিত ৰোগত আক্ৰান্ত হৈ চিকিৎসাধীন অৱস্থাত যোৱানিশা প্ৰায় ১১ বজাত গুৱাহাটীৰ এখন চিকিৎসালয়ত শেষ নিশ্বাস ত্যাগ কৰে। 'কলংপৰীয়া শাখা সাহিত্য সভা', উৰিয়াগাঁও আঞ্চলিক উন্নয়ন সমিতিকে ধৰি বিভিন্ন অনুষ্ঠান-প্ৰতিষ্ঠানৰ সৈতে সুদীৰ্ঘ কাল জড়িত থকা নিৰহংকাৰী, সহজ-সৰল স্বভাৱৰ হাজৰিকাই কেইবছৰমান আগলৈকে চিকিৎসা সেৱা আগবঢ়াইছিল। তেওঁ মৃত্যুৰ সময়ত বিশিষ্ট লেখিকা পত্নী জেউতি হাজৰিকা, দুজন পুত্ৰ, দুগৰাকী বোৱাৰী, এগৰাকী জীয়াৰী, নাতি-নাতিনীকে ধৰি বহু আত্মীয়-স্বজনক এৰি থৈ যায়। তেওঁৰ বিয়োগত 'নগাঁও জিলা সাহিত্য সভা', 'কলংপৰীয়া শাখা সাহিত্য সভা'কে ধৰি কেইবাটাও অনুষ্ঠান-প্ৰতিষ্ঠানৰ তৰফৰ পৰা শেষ শ্ৰদ্ধা জনায়।

## কামকৰা বাইবোৰ

**ড° বনিমা তালুকদাৰ**
উত্তৰ গুৱাহাটী মহাবিদ্যালয়

কাহিলিপুৱা কুকুৰাই ডাক নিদিওঁতেই আৰম্ভ হয়
পদুমী, মালতী, ৰেহেনাহঁতৰ জীৱন।
ঘড়ীৰ কাঁটাতকৈও বেগেৰে চলিব লাগে সিহঁতবোৰ
দায়িত্ব ল'ব লগা হয় দুটা পৰিয়ালৰ
এটা নিজৰ আৰু আনটো গৰাকীৰ....
গাটো তিয়াই পাতনি মেলে দিনটোৰ কাৰ্যসূচীৰ
ঘৰটোৰ লাচনি পাচনি কৰি আৰম্ভ কৰে গৰাকীৰ ঘৰলৈ যাত্ৰা ......
সময়মতে গৈ নাপালে শুনিব লগীয়া হয় মালিকনীৰ কাঢ়া বাণী....
এঘৰৰ কামেদি সিহঁতৰ সংসাৰবোৰ নচলে....
দুই তিনিঘৰত এটা যন্ত্ৰৰ দৰে কাম কৰে সিহঁতবোৰে,
জিৰণি লোৱাৰ একবাৰে অৱকাশ নাই সিহঁতৰ ....
জিৰণি ল'লে যে সময় মিলাব নোৱাৰা হৈ পৰে সিহঁতবোৰ....
উৎসৱ পাৰ্বনটো চুটি লোৱাৰ বাবে দৰ্খাস্ত দিব নোৱাৰে সিহঁতে ....
কাৰণ সিহঁতবোৰে চুটি ল'লে যে সমস্যা হ'ব
সিহঁতে কাম কৰা ঘৰবোৰত।
শৰীৰৰ বেমাৰবোৰ সাঁচি ৰাখিব লগা হয় মনৰ মাজত
কাম ক্ষতি কৰিলে মালিকনীয়ে যে কাটিব
সিহঁতৰ পাব লগা পইচা কেইটা।
সিহঁতে দেখিব নোৱাৰে কোনো সুখৰ স্বপ্ন....
সন্ধিয়া ক্লান্ত হৈ যেতিয়া ঘৰত সোমায়,
আৰামৰ বিছনাখনত পৰি অকনমান জিৰাবলৈ
নাথাকে সিহঁতৰ হাতত সময়।
প্ৰতিদিনে শাৰীৰিক নিৰ্যাতনৰ বলি হ'ব লগা হয়
মাতাল হৈ থকা সিহঁতৰ মানুহকেইটাৰ হাতত....
সংসাৰ চলাবলৈ কষ্টৰে অৰ্জা সিহঁতৰ
উপাৰ্জনখিনিৰ ওপৰতো চকু সিহঁতৰ মানুহ কেইটাৰ.....
এনেদৰে ভৱিষ্যতৰ স্বপ্ন নেদেখাকৈ দিনবোৰ পাৰ কৰে সিহঁতে....
তথাপি যে জীয়াই থাকিব লাগিব সন্তান কেইটিৰ বাবে....
বাৰ্দ্ধক্য বা বেমাৰে বাধা দিলে সিহঁতৰ
উপাৰ্জনৰ পথ হয়তো হৈ পৰিব অৱৰুদ্ধ....
সঁচাকৈয়ে, এক অনিশ্চয়তাৰ মাজত ৰৈ থাকে
সিহঁতৰ জীৱনবোৰ....।

## মৰমৰ বোপাই

**শচীন্দ্ৰ কুমাৰ দাস,** পলাশবাৰী

তোমাৰ ওচৰত মোৰ হৃদয়ে
কান্দি উঠিছে
ইমান গভীৰ বেদনা হেঁচি ৰখাৰ
অভ্যাস মই কাহানিও কৰা নাছিলোঁ।
গোপনে কোনোবা চুকত
নীৰৱে চকুলো
সেমেকি উঠিছে..
আৱেগক তীক্ষ্নতাৰে ধমক দি
নিস্তব্ধ হোৱাৰ অনুৰোধ কৰিছিলোঁ..
নেদেখা জনক মাত্ৰ
যত যন্ত্ৰণা আছে মোক দিওক তাৰ প্ৰাৰ্থনা কৰি
ভাগৰি পৰিছোঁ।
তোমাৰ হাঁহি
তোমাৰ মৰমে
কষ্টবোৰৰ মাজতো
সান্ত্বনা দিছে।
আজি মোৰ সোণ কুশলে
উভতিছে
বেদনাবোৰ উৎসৱ হৈ
নাচি উঠিছে মোৰ পদূলিত
মোৰ আত্মাই এতিয়াও চিঞৰি চিঞৰি
কৈ আছে বোপাই তুমি কুশলে
থাকা
তোমাৰ কষ্টত মই বৰ কষ্ট পাওঁ,
মই বৰ কষ্ট পাওঁ।

**ম'বাইল ঃ** ৮৪০৩৮-৩৫০৪৮

## বেদুইন

**প্ৰভাত বণিয়া**

দিনান্তৰ পাছত বৈ আহে সন্তাপৰ চকুলো
বিষাদগ্ৰস্ত মন
উভতি আহিবৰ বেলিকা কুলাই-পাচিয়ে নধৰা দুখ
উটি ভাঁহি থাওনি হেৰায়
ঢুকি নেপাও ভৰিৰ তলৰ মাটি
বাস্তৱ ইমান খহটা ইমান কৰ্কশ,
খলাবমা, ওখোৰা-মোখোৰা
ধূলি ধোৱাৰ আঁহফালি
বাটকুৰি বাই চলাথ কৰিলোঁ মঠ মন্দিৰ দেৱালয়
বিচাৰি নেপালো তোমাৰ
এৰা বাটৰ ঠিকনা।

## যাত্ৰাৰ শেষ নাই

**বনজিত দাস**
ৰিহাবাৰী, বজালী

গৈ থকাটোৱে যাত্ৰা নহয়-
কেতিয়াবা সেয়া মাথোঁ
হেৰুৱাৰ নীৰৱ প্ৰস্তুতি।
পথ সলনি হ'লেই
মানুহে যাত্ৰা নকৰে,
কেতিয়াবা একে ঠাইতে ৰৈয়ো
মনৰ ভিতৰত বহু দূৰলৈ গুচি যায়।
গৈ থকাটো অকল যোৱা নহয়,
কৈতিয়াবা সেয়া
এটি সম্পৰ্কৰ অন্তিম উশাহ,
এটি সপোনৰ নীৰৱ বিদায়,
আৰু নিজকে বিচাৰি
নিজৰ পৰাই আঁতৰি যোৱা।
আমি যে গৈয়ে থাকিম
যাত্ৰাৰ শেষ নাই।

# লক্ষ্মী পূজা আৰু নাৰীৰ প্ৰকৃত মৰ্যাদা

■ **কুণ্ডিল হাজৰিকা,** যোৰহাট, ভগামুখ

**ল**ক্ষ্মী সমৃদ্ধি, শান্তি আৰু সৌভাগ্যৰ প্ৰতীক। প্ৰতি বছৰে লক্ষ্মী পূজাৰ দিনা আমি দেৱীৰ আৰাধনা কৰোঁ, ঘৰলৈ সুখ-সমৃদ্ধি অহাৰ কামনা কৰোঁ। কিন্তু প্ৰশ্ন হয়, যি সমাজে দেৱী লক্ষ্মীক পূজা কৰে, সেই সমাজতেই নাৰী কিমান সুৰক্ষিত আৰু সন্মানিত?

আজিৰ সমাজত ধৰ্ষণ, যৌন নিৰ্যাতন, যৌতুকজনিত অত্যাচাৰ, ঘৰুৱা হিংসা আৰু নাৰীৰ প্ৰতি বৈষম্যৰ দৰে ঘটনা এতিয়াও উদ্বেগজনক। যি নাৰীক দেৱীৰূপে পূজা কৰা হয়, সেই নাৰীয়েই কেতিয়াবা ৰাজপথত, কৰ্মক্ষেত্ৰত আনকি নিজৰ ঘৰখনতো নিৰাপত্তাহীনতাত ভুগিবলগীয়া হয়। বিবাহৰ পিছত নতুন এখন সংসাৰ গঢ়াৰ সপোন লৈ অহা বহু মহিলাই স্বামী অথবা শহুৰেকৰ পৰিয়ালৰ লোকৰ দ্বাৰা মাৰপিট, মানসিক নিৰ্যাতন আৰু যৌতুকৰ দাবীৰ সন্মুখীন হয়। যি ঘৰখনত তেওঁ মৰম আৰু সন্মান পাব লাগিছিল, সেই ঘৰখনেই কেতিয়াবা তেওঁৰ বাবে যন্ত্ৰণাৰ কাৰণ হৈ পৰে।

আটাইতকৈ পৰিতাপৰ বিষয়, বহু ক্ষেত্ৰত নিৰ্যাতিতাকেই সমাজৰ প্ৰশ্ন আৰু অপমানৰ সন্মুখীন হ'বলগীয়া হয়। অপৰাধীৰ পৰিৱৰ্তে নিৰ্যাতিতাক দোষাৰোপ কৰা মানসিকতাই অন্যায়ক অধিক শক্তিশালী কৰে। এগৰাকী নাৰী কাৰোবাৰ জীয়ৰী, পত্নী অথবা বোৱাৰী হোৱাৰ আগতে এগৰাকী স্বতন্ত্ৰ মানুহ। তেওঁৰো সন্মান, স্বাধীনতা, নিৰাপত্তা আৰু নিজৰ জীৱনটো নিজৰ মতে গঢ়াৰ অধিকাৰ আছে।

লক্ষ্মী পূজাত ঘৰ পৰিষ্কাৰ কৰি দেৱীৰ আসন সজোৱাৰ লগতে আমাৰ মনৰ সংকীৰ্ণতাও দূৰ কৰা প্ৰয়োজন। কেৱল দেৱীৰ প্ৰতিমাৰ সন্মুখত বন্তি জ্বলালেই নাৰীৰ প্ৰতি আমাৰ কৰ্তব্য শেষ নহয়। নাৰীক সন্মান কৰা, তেওঁৰ অধিকাৰক স্বীকৃতি দিয়া আৰু নিৰ্যাতনৰ বিৰুদ্ধে মাত মতা প্ৰতিজন নাগৰিকৰ নৈতিক দায়িত্ব।

প্ৰকৃত সমৃদ্ধি কেৱল ধন-সম্পদত নাথাকে। যি ঘৰত নাৰীয়ে নিৰ্ভয়ে জীয়াই থাকিব পাৰে, যি পৰিয়ালত বোৱাৰীগৰাকীয়ে সন্মান লাভ কৰে আৰু যি সমাজত কন্যা সন্তানৰ সপোনক সমান গুৰুত্ব দিয়া হয়, সেই ঘৰ আৰু সমাজহে প্ৰকৃত অৰ্থত সমৃদ্ধিশালী।

এই লক্ষ্মী পূজাত সেয়ে নিজকে এবাৰ প্ৰশ্ন কৰোঁ-আমি কেৱল দেৱী লক্ষ্মীৰ পূজা কৰিম নে জীৱিত নাৰীগৰাকীকো তেওঁৰ প্ৰাপ্য সন্মান দিম?

দেৱীৰ সন্মুখত মূৰ দোঁৱোৱাটো ভক্তি, কিন্তু নাৰীৰ মৰ্যাদা ৰক্ষা কৰাটো মানৱতা। নাৰী নিৰাপদ আৰু সন্মানিত হ'লেহে লক্ষ্মী পূজাৰ প্ৰকৃত তাৎপৰ্য সাৰ্থক হ'ব।

**ম'বাইল ঃ** ৭০৯৯৩-৫৪৪৭৪

# সদৌ বংশৰ সাৰ্বজনীন শাৰদীয় শ্ৰী শ্ৰী দুৰ্গা পূজা সমিতিৰ মঞ্চত নাট্য পৰম্পৰা

**ৰমেন ভৰালী, বংশৰ ঃ** অসমৰ সাংস্কৃতিক ইতিহাসত শাৰদীয় দুৰ্গা পূজা কেৱল শক্তিৰ আৰাধনা নহয়, ই হৈছে জাতিৰ আত্মাৰ আৰাধনা, মিলনৰ উৎসৱ। আৰু এই মিলনৰ সত্যটো যদি কক্সৰবাত আটাইতকৈ জীৱন্ত হৈ আছে, সেয়া হৈছে সদৌ বংশৰ সাৰ্বজনীন শাৰদীয় শ্ৰী শ্ৰী দুৰ্গা পূজা সমিতিৰ মঞ্চত। য'ত আজি পূজা মানে ডি.জে.ৰ শব্দ আৰু চমক-ধমক লাইটিঙৰ প্ৰতিযোগিতা, তেনে সময়ত সদৌ বংশৰ বাসী ৰাইজে ১৯৯১ চনৰ পৰা আজি ৩৬ বছৰ ধৰি নীৰৱে, নিষ্ঠাৰে জীয়াই ৰাখিছে এক পৱিত্ৰ নাট্য পৰম্পৰা। এই পৰম্পৰা কেৱল তিনিখন নাটকৰ প্ৰদৰ্শন নহয়, এই পৰম্পৰা হৈছে এখন গাঁৱৰ সাংস্কৃতিক আত্ম-পৰিচয়। প্ৰতিষ্ঠা কালৰে পৰা বৃহত্তৰ বংশৰ অঞ্চলৰ স্থানীয় সংঘ আৰু পুথিভঁৰাল সমূহৰ উদ্যোগত তিনি-চাৰিখনকৈ পূৰ্ণাংগ নাটক মঞ্চস্থ কৰি অহা এই পৰম্পৰা কেৱল এখন নাট্য প্ৰদৰ্শন নহয়, ই বংশৰৰ সাংস্কৃতিক ইতিহাস। ইয়াত কোনো ভাড়াতীয়া শিল্পী নাই, কোনো পেছাদাৰী অভিনেতা নাই। আছে কেৱল আমাৰ গাঁৱৰে ন-পুৰণি শিল্পী। কোনোবা কৃষক, কোনোবা ছাত্ৰ, কোনোবা শিক্ষক, কোনোবা দোকানী, কোনোবা শিপিনী। যিসকলে দিনত নিজৰ কৰ্মত ব্যস্ত থাকি সন্ধিয়া সংঘৰ চোতালত একগোট হৈ নাটকক জীয়াই ৰাখিছে। এইবেলিও তাৰ ব্যতিক্ৰম হোৱা নাই। সদৌ বংশৰ সাৰ্বজনীন শাৰদীয় শ্ৰী শ্ৰী দুৰ্গা পূজা সমিতিৰ ৩৬ তম দুৰ্গোৎসৱত তিনিখনকৈ পূৰ্ণাংগ নাটক মঞ্চস্থৰে জীপাল কৰিছে বংশৰৰ তিনিটাকৈ নিশা। সদৌ বংশৰ সাৰ্বজনীন শাৰদীয় শ্ৰী শ্ৰী দুৰ্গা পূজা সমিতিৰ মঞ্চত যোৱা সপ্তমীৰ নিশা অৰ্থাৎ ১৮ অক্টোবৰত হৰিহৰ নাট্য গোষ্ঠী, বে'লৰতলৰ শিল্পী সকলে সফলভাৱে মঞ্চস্থ কৰে মহেশ কলিতাৰ ৰচনা, নাট্যকৰ্মী ফনীধৰ দাস আৰু হলধৰ তালুকদাৰৰ পৰিচালনাৰে 'মহানায়ক' পূৰ্ণাংগ নাটক। পাৰিবাৰিক সংঘাত, হাঁহি-কান্দোন আৰু ত্যাগৰ এক কৰুণ গাঁথাৰে বলিষ্ঠ অভিনয়ৰে প্ৰদীপ দাস, জিতেন ভৰালী, উৎপল বৈশ্য, দীপজিৎ ভৰালী (মইনা), দিগন্ত দাস, সমুদ্ৰ দাস (গুদু), শুভাংকুশ তালুকদাৰ, ৰিংকুমণি দাস, বন্দিতা তালুকদাৰ, মূৰ্চনা তালুকদাৰ, বৰ্ণালী দাস, ভনীতা দাস, সুস্মিতা দাসৰ দৰে শিল্পীৰ বলিষ্ঠ অভিনয়ে নাটকখনক এক অন্য মাত্ৰা প্ৰদান কৰিছে। এই নাটকখনৰ সাৱলীল অভিনয়েৰে দৰ্শকক মন্ত্ৰমুগ্ধ কৰিছে লগতে দৰ্শনকৰ মাজত প্ৰশ্ন জাগিছে- জীৱনৰ প্ৰকৃত মহানায়ক কোন? নাটকখনৰ আগে আগে এখনি হলধৰ তালুকদাৰৰ ৰচিত আৰু মিঠুনৰ পৰিচালনাত 'মই সাৰে আছোঁ' গীতি আলেখ্য পৰিৱেশ কৰা হয়। যোৱা ১৯ অক্টোবৰ অৰ্থাৎ মহাষ্টমীৰ পৱিত্ৰ নিশা বংশৰ বাপুজী স্মৃতি পুথিভঁৰালৰ ন-পুৰণি শিল্পী সকলৰ দ্বাৰা নাট্যকাৰ পৰীক্ষিত হালৈৰ ৰচিত আৰু নাট্যকৰ্মী ৰমেশ দাসৰ পৰিচালনাত, গিৰিশ দাস আৰু ভৱেশ দাসৰ সহ-পৰিচালনাত পূৰ্ণাংগ নাটক 'পিতা-পুত্ৰ' সফলতাৰে মঞ্চস্থ কৰা



হয়। দুটি পৰিয়ালৰ জীৱন-শৈলী, পিতা-পুত্ৰৰ মাজৰ চিৰন্তন সংঘাত আৰু মৰমৰ কাহিনীৰে ভৰপূৰ এখন পূৰ্ণাংগ নাটক। পূৰ্ণাংগ নাটক 'পিতা-পুত্ৰ'ত বলিষ্ঠ অভিনয়ৰে দৰ্শকৰ হৃদয় জিনিবলৈ সক্ষম হৈছে ৰাতুল দাস, মনেশ্বৰ দাস, ৰূপম দাস, মন্টু গোস্বামী, নয়ন দাস, ৰুবুল দাস, শংকৰ দাস, প্ৰাঞ্জল গোস্বামী, ভৃগু দাস, ৰাকেশ কলিতা, কৰিশ্মা দাস, ৰুনমি ভৰালী, জয়াশ্ৰী দাস, দিক্ষিতা দাস আৰু শিশু শিল্পী জ্যোতিষ্মিতা দাসৰ অভিনয়েৰে দৰ্শকক আপ্লুত কৰিছে। বংশৰ বাপুজী স্মৃতি পুথিভঁৰালৰ সভাপতি ৰমেন ভৰালী আৰু সম্পাদক মুকুট ঠাকুৰীয়াৰ ব্যৱস্থাপনাত আৰু পুথিভঁৰালৰ কৰ্মকৰ্তা তথা সদস্যসকলৰ একান্ত প্ৰচেষ্টাত দৃশ্য সজ্জা, পোহৰ, সংগীত পৰিচালনা সুন্দৰভাৱে উপস্থাপন কৰা হৈছে। মূল নাটকৰ আগতে নিত্যানন্দ নাথৰ ৰচিত আৰু বিশ্বজিৎ বৈশ্যৰ পৰিচালনাত নৃত্য আলেখ্যৰে দৰ্শনকৰ মন মনোমুগ্ধকৰ কৰি তুলিছে নৃত্য নাটিকাৰে। যোৱা ২০ অক্টোবৰ অৰ্থাৎ মহানৱমী তিথিৰ নিশা শ্ৰীকৃষ্ণ নাট্য গোষ্ঠী, আমবাড়ীয়ে মঞ্চস্থ কৰে অভিজিত ভট্টাচাৰ্যৰ ৰচিত আৰু প্ৰদীপ দাসৰ পৰিচালিত পূৰ্ণাংগ নাটক 'ত্যাজ্য পুত্ৰ'। সময়ৰ চাকনৈয়াত পৰি পিতৃ-বাক্য পালন নকৰাৰ বাবে এজন সন্মানীয় দেউতাক আৰু তেওঁৰ আদৰ্শৱান পুত্ৰৰ মাজত সৃষ্টি হোৱা সংঘাত, সম্পত্তি লোভী আত্মীয়ৰ চক্ৰান্ত - এই সকলোৰে মাজত এজন বন্ধুৰ নিঃস্বাৰ্থ ভূমিকাৰে সুন্দৰ অভিনয়েৰে দৰ্শকক মন্ত্ৰমুগ্ধ কৰিছে ৰঞ্জন দাস, নিতুল দাস, জিতুমণি দাস, তপন দাস, ৰামচৰণ দাস, প্ৰমোদ দাস, নৱজ্যোতি কলিতা, দিচামণি দাস, ভূপালী দাস, কাশ্যপ পাঠক, ত্ৰিদিপ ঠাকুৰীয়া, ধনজিতা দাসৰ দৰে শিল্পী সকলে। আজিৰ তাৰিখত যেতিয়া বহু ঠাইত পূজা মানে কেৱল ডি.জে. আৰু লাইটিঙৰ প্ৰতিযোগিতা, তেতিয়া বংশৰৰ এই নাট্য পৰম্পৰা সঁচাকৈয়ে প্ৰশংসনীয়। ইয়াৰ আটাইতকৈ ডাঙৰ সফলতা হৈছে - ই যুৱ প্ৰজন্মক মোবাইল আৰু নিচাৰ কবলৰ পৰা আঁতৰাই আনিছে। সংঘৰ চোতালত এক সুস্থ সাংস্কৃতিক পৰিৱেশ দিছে।

প্ৰথম পৃষ্ঠাৰ পৰা

## শুৱালকুছি ৰাস মহোৎসৱৰ লাইখুঁটা স্থাপন মুখ্যমন্ত্ৰীৰ বিশেষ কৰ্তব্যৰত বিষয়া শ্ৰীহেমন্ত চৌধুৰীৰ

শুৱালকুছি সাৰ্বজনীন ৰাস মহোৎসৱ উদ্‌যাপন সমিতিয়ে এইবাৰ ৩৩ সংখ্যক ৰাস মহোৎসৱ আয়োজন কৰিছে। ইয়াৰ বাবে ইতিমধ্যে বিশিষ্ট সমাজকৰ্মী প্ৰাণজিৎ দাসক সভাপতি, অপূৰ্ব দাসক কাৰ্যকৰী সভাপতি, প্ৰবীণ কুমাৰ দাস, কল্প দেউৰী আৰু দিগন্ত দাসক উপ-সভাপতি আৰু কল্যাণ কাৰিকৰ, প্ৰহ্লাদ দাস আৰু বীৰেশ্বৰ দাসক সম্পাদক হিচাপে লৈ এখন শক্তিশালী কাৰ্যনিৰ্বাহক সমিতি গঠন কৰা হৈছে। এই ঐতিহাসিক ৰাস মহোৎসৱৰ শুভাৰম্ভণিৰ অংশস্বৰূপে যোৱা ২৩ অক্টোবৰত আনুষ্ঠানিকভাৱে লাইখুঁটা স্থাপন কৰা হয়। শুৱালকুছিৰ মাজটোল বালিচৰত মঙ্গলধ্বনি, বেদমন্ত্ৰ আৰু উৰুলি ধ্বনিৰ মাজত লাইখুঁটা স্থাপন কৰে নামনি অসমৰ প্ৰখ্যাত উদাসীন সত্ৰ ঈশ্বৰ শ্ৰীশ্ৰীহাটী সত্ৰৰ বুঢ়া সত্ৰাধিকাৰ ৰাজীৱ লোচন সন্ত বাপ আৰু অসমৰ মুখ্যমন্ত্ৰীৰ বিশেষ কৰ্তব্যৰত বিষয়া শ্ৰী হেমন্ত চৌধুৰী ডাঙৰীয়াই। লাইখুঁটা স্থাপন কৰি সত্ৰাধিকাৰ বাপ আৰু চৌধুৰীয়ে অহা ২৪ নৱেম্বৰৰ পৰা ৪ ডিচেম্বৰলৈ ব্ৰহ্মপুত্ৰৰ সেউজ দলিচাত অনুষ্ঠিত হ'বলগীয়া ৰাস মহোৎসৱৰ সৰ্বাংগীন সফলতা কামনা কৰে। এই শুভ ক্ষণত ঈশ্বৰ শ্ৰীশ্ৰীহাটী সত্ৰৰ ডেকা সত্ৰাধিকাৰ উজ্বল মহন্ত, জিলা পৰিষদৰ সদস্য ধীৰাজ মহন্ত, উদ্‌যাপন সমিতিৰ সভাপতি প্ৰাণজিৎ দাসৰ লগতে শতাধিক কৰ্মকৰ্তা, বিষয়ববীয়া আৰু ভক্তপ্ৰাণ ৰাইজ উপস্থিত থাকে। অনুষ্ঠানৰ শেষত উদ্‌যাপন সমিতিৰ সভাপতি প্ৰাণজিৎ দাস আৰু সম্পাদক বীৰেশ্বৰ দাসে শুৱালকুছিৰ বালিচৰত অনুষ্ঠিত হ'বলগীয়া এই সাৰ্বজনীন ৰাস মহোৎসৱৰ সকলো কাৰ্যসূচীতে ভক্তপ্ৰাণ ৰাইজ, যুৱক-যুৱতী আৰু আই-মাতৃসকলৰ ঐকান্তিক সহযোগিতা আৰু উপস্থিতি বিনম্ৰভাৱে কামনা কৰে।

## 'মন কী বাত' - দেশৰ কোটি কোটি জনতাৰ হৃদয়ৰ স্পন্দন

সামগ্ৰীৰ ব্যৱহাৰ আৰু যুৱ শক্তিৰ ওপৰত গুৰুত্ব আৰোপ কৰে। এই উপলক্ষে বক্তব্য ৰাখি কৃষক নেতা শ্ৰী ৰঞ্জিত কুমাৰ ভট্টাচাৰ্যই কয়, 'মন কী বাত' কেৱল এখন ৰেডিঅ' অনুষ্ঠান নহয়, ই হৈছে জনতাৰ সৈতে প্ৰধানমন্ত্ৰীৰ প্ৰত্যক্ষ সংলাপ, জনতাৰ মনৰ কথা। এই অনুষ্ঠানে আমাক সমাজৰ প্ৰতি আমাৰ দায়বদ্ধতা, দেশৰ প্ৰতি থকা কৰ্তব্যবোধৰ কথা সোঁৱৰাই দিয়ে। প্ৰধানমন্ত্ৰী ডাঙৰীয়াৰ প্ৰতিটো শব্দই আমাক ৰাষ্ট্ৰৰ সৰ্বাংগীণ উন্নয়নৰ বাবে একেলগে কাম কৰাৰ সংকল্পক অধিক দৃঢ় কৰে।' তেওঁ লগতে কয় যে, প্ৰধানমন্ত্ৰীৰ আহ্বানত সঁহাৰি জনাই প্ৰতিটো বুথত এই অনুষ্ঠান শুনাৰ পৰম্পৰা অব্যাহত থাকিব। অনুষ্ঠানৰ শেষত উপস্থিত সকলোৱে 'ৰাষ্ট্ৰ নিৰ্মাণৰ সংকল্পৰে, জনসেৱাৰ মনোভাৱেৰে-আহক, একেলগে আগবাঢ়োঁ এখন আত্মনিৰ্ভৰ, সমৃদ্ধিশালী ভাৰতৰ দিশে' বুলি সংকল্প লয় আৰু 'ভাৰত মাতা কী জয়' ধ্বনিৰে অনুষ্ঠানৰ সামৰণি পৰে।

## জন্মদিনত আনন্দৰ বন্যা ঃ হাজাৰ অনুৰাগীৰ মৰমত ওপচি পৰিল মিনিষ্টাৰ কলনি

কাৰ্যসূচীৰে কামৰূপ জিলাৰ হাজো-শুৱালকুছি সমষ্টিৰ শুৱালকুছি চিকিৎসালয় চ'কত আয়োজন কৰা হৈছে এক বিৰাট বিষ্ণু যজ্ঞ। জন্মদিনৰ এই পৱিত্ৰ ক্ষণক আধ্যাত্মিকতাৰে উদ্‌যাপন কৰাৰ মানসেৰে আয়োজিত এই যজ্ঞত ১,০০০ টা পূৰ্ণাহুতি প্ৰদান কৰা হ'ব। ৰাজ্যৰ মংগল, শান্তি আৰু সমৃদ্ধিৰ বাবে ভগৱান বিষ্ণুৰ ওচৰত প্ৰাৰ্থনা জনোৱা হ'ব। যজ্ঞৰ শেষত ভক্তপ্ৰাণ ৰাইজৰ বাবে দুপৰীয়া মহাভোগ বিতৰণৰ ব্যৱস্থাও কৰা হৈছে। এই পৱিত্ৰ অনুষ্ঠানত স্বয়ং হেমন্ত চৌধুৰী ডাঙৰীয়া উপস্থিত থাকি ভক্তসকলৰ আশীষ গ্ৰহণ কৰিব।

## ট্ৰেক্টৰৰ ষ্টিয়েৰিঙত বহি মাটি চহোৱা কাৰ্যত অংশ ল'লে কৃষক নেতা ৰঞ্জিত কুমাৰ ভট্টাচাৰ্যই

ট্ৰেক্টৰ চলাই চলাই তেওঁ কৃষক ৰাইজক দিলে এক নতুন উৎসাহ, এক নতুন প্ৰেৰণা। এই উপলক্ষে ৰঞ্জিত কুমাৰ ভট্টাচাৰ্য ডাঙৰীয়াই কয়, 'কৃষকসকলৰ পৰিশ্ৰম, নিষ্ঠা আৰু অধ্যৱসায়েই আমাৰ কৃষি অৰ্থনীতিৰ মূল চালিকাশক্তি। কৃষকৰ মুখৰ হাঁহিতেই লুকাই আছে অসমৰ গাঁৱলীয়া অৰ্থনীতিৰ প্ৰকৃত সমৃদ্ধি। ৰবি শস্যৰ এই খেতিয়ে আমাৰ কৃষকক আত্মনিৰ্ভৰশীল কৰাৰ লগতে ৰাজ্যৰ খাদ্য সুৰক্ষাৰ দিশতো এক গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিব।' তেওঁৰ এই কৰ্মোদ্যমী পদক্ষেপক আঠিয়াবৈৰ কৃষক ৰাইজে আন্তৰিকতাৰে আদৰণি জনাইছে। নেতা নহয়, এজন সহযোদ্ধা হিচাপে পথাৰত নামি অহা ৰঞ্জিত ভট্টাচাৰ্যৰ এই ছবিয়ে সঁচাকৈয়ে কৃষক আন্দোলনক দিছে এক নতুন মাত্ৰা।

## অসমীয়া সমাজত দেৱালীৰ পৰম্পৰা

■ **সুনীল বৈশ্য,** শিক্ষক, গন্ধমৌ

দেৱালী ভাৰতবৰ্ষত পোহৰৰ উৎসৱ হিচাপে পালন কৰা হয়। প্ৰতি শৰত কালৰ বছৰে কাতি মাহৰ অমাৱস্যা তিথিত হিন্দু, জৈন, বৌদ্ধ আৰু শিখ ধৰ্মাৱলম্বী লোক সকলে উলহ মালহেৰে দেৱালী পালন কৰে। এই উৎসৱে 'অন্ধকাৰৰ বিৰুদ্ধে পোহৰ, বেয়াৰ বিৰুদ্ধে ভালৰ আৰু অজ্ঞানতাৰ জ্ঞানৰ বিজয়ক প্ৰতিনিধিত্ব কৰে। গ্ৰেগৰিয়ান বৰ্ষপঞ্জী অনুসৰি দীপান্বিতা উৎসৱ সাধাৰণতে অক্টোবৰ নৱেম্বৰ মাহৰ মাজত অনুষ্ঠিত হয়। চলিত বৰ্ষৰ ৮ নৱেম্বৰ তাৰিখে সমগ্ৰ ভাৰতৰ লগতে অসমতো দেৱালী পালন কৰা হ'ব। অসমীয়া সমাজ আৰু সংস্কৃতিত দেৱালী বা দীপাৱলী কেৱল এক পোহৰৰ উৎসৱেই নহয়, ই এক সমন্বয়, সাত্বিকতা আৰু লোক পৰম্পৰাৰ এক অপূৰ্ব মিলনভূমি। অসমত দেৱালীৰ দিনটোত অসমীয়া মানুহে ঘৰৰ দুৱাৰমুখত কলগছ পোত। কাতি বিহুৰ দৰেই দেৱালীৰ দিনাও ঘৰৰ পদূলি, চোতাল আৰু দুৱাৰ মুখত কেঁচা কলগছ পুতি তাত বাঁহৰ কামি কাটি চাকি থোৱাৰ ব্যৱস্থা কৰা হয়। কলগছৰ এই সজ্জাত মাটিৰ চাকি জ্বলাই ঘৰখন পোহৰাই তোলাটো অসমীয়া লোক সংস্কৃতিৰ এক অপৰিহাৰ্য অংগ। অসমীয়া সমাজত আজিও মাটিৰ পৰম্পৰাগত মাটিৰ চাকি (চাকি বন্তি) জ্বলোৱাক) প্ৰথম অগ্ৰাধিকাৰ দিয়া হয়। চাকিৰ বাবে প্ৰয়োজনীয় সৰিয়হৰ তেল আৰু কপাহৰ শলিতা ব্যৱহাৰ কৰি ঘৰৰ চৌপাশ ভঁৰালঘৰ , তুলসী ভেটি, পথাৰ আৰু পদূলি আলোকিত কৰা হয়। নামনি অসমৰ মৃৎ শিল্পীসকলে এই সময়ত তৈয়াৰ কৰা মাটিৰ চাকিয়ে অসমৰ থলুৱা অৰ্থনীতিতো বিশেষ ভূমিকা গ্ৰহণ কৰে। অসমত দেৱালীৰ কিছুদিন আগেই কাতি বিহু বা কঙালী বিহু পালন কৰা হয়। কাতি বিহুত আকাশবন্তি, তুলসী ভেটিত জ্বলোৱা আৰু ধাননি পথাৰত চাকি জ্বলোৱাৰ পৰম্পৰা আছে। সেয়েহে, কাতি বিহুৰ পৰাই অসমীয়া সমাজত চাকি জ্বলোৱাৰ এক আধ্যাত্মিক পৰিৱেশৰ সূচনা হয় যাৰ পূৰ্ণ ৰূপ দীপাৱলীত প্ৰতিফলিত হয়। কাতি মাহৰ কৃষ্ণা চতুৰ্দশী তিথিত উদ্‌যাপন কৰা হয় দেৱালী। এই দেৱালী উদ্‌যাপনৰ আঁৰত আছে কেইবাটাও লোক বিশ্বাস। প্ৰচলিত লোক বিশ্বাস অনুসৰি ৰাৱণ বধ কৰি সীতাক উদ্ধাৰ কৰাৰ লগতে ১৪ বছৰীয়া বনবাসৰ অৱসান ঘটাত শ্ৰীৰাম চন্দ্ৰই অযোধ্যালৈ ঘূৰি আহিছিল। ৰামচন্দ্ৰৰ অযোধ্যালৈ পুনৰ আগমণে অযোধ্যাবাসীক আনন্দিত কৰি তুলিছিল। অযোধ্যা বাসীয়ে আনন্দত ঘৰে ঘৰে বন্তি জ্বলাই আলোকেৰে আলোকিত কৰি তুলিছিল। তেতিয়াৰ পৰা দেৱালী উদ্‌যাপন কৰি অহা বুলি বিশ্বাস কৰা হয়। সামগ্ৰিকভাৱে ক'ব পাৰি যে দেৱালী কেৱল পোহৰৰ উৎসৱেই নহয়, ই মানুহৰ জীৱনলৈ সুখ, শান্তি, সমৃদ্ধি আৰু আশাৰ বতৰা কঢ়িয়াই অনা এক আনন্দময় উৎসৱ। অসমীয়া সমাজত এই উৎসৱে সামাজিক সম্প্ৰীতি আৰু সাংস্কৃতিক ঐতিহ্যক অধিক শক্তিশালী কৰি তোলে।

**ম'বাইল ঃ** ৭৬৩৮০-২৮৪০০

## অসমৰ স্বাস্থ্য মন্ত্ৰী অশোক সিংঘাল ডাঙৰীয়াই গুৱাহাটী চিকিৎসা মহাবিদ্যালয়ৰ অধীনস্থ মহেন্দ্ৰ মোহন চৌধুৰী চিকিৎসালয় পৰিদৰ্শন



**ৰমেন ভৰালী, বংশৰ ঃ** গুৱাহাটী চিকিৎসা মহাবিদ্যালয়ৰ আন্তঃগাঁথনি অধিক শক্তিশালী কৰাৰ লক্ষ্যৰে যোৱা ২৬ অক্টোবৰত এক গুৰুত্বপূৰ্ণ পদক্ষেপ গ্ৰহণ কৰা হয়। অসমৰ মাননীয় স্বাস্থ্য মন্ত্ৰী অশোক সিংঘাল ডাঙৰীয়াই গুৱাহাটী চিকিৎসা মহাবিদ্যালয়ৰ অধীনস্থ মহেন্দ্ৰ মোহন চৌধুৰী চিকিৎসালয় পৰিদৰ্শন কৰে। পৰিদৰ্শনকালত স্বাস্থ্য মন্ত্ৰীগৰাকীয়ে চিকিৎসালয়খনৰ বিভিন্ন বিভাগৰ কাম-কাজৰ খতিয়ান লোৱাৰ লগতে চলি থকা নিৰ্মাণকাৰ্যৰ অগ্ৰগতিৰ বুজ লয়। বিশেষকৈ গুৱাহাটী চিকিৎসা মহাবিদ্যালয় আৰু চিকিৎসালয়ৰ ওপৰত থকা ৰোগীৰ হেঁচা হ্ৰাস কৰিবলৈ গুৱাহাটী চিকিৎসা মহাবিদ্যালয় আৰু চিকিৎসালয়ৰ কেইবাটাও গুৰুত্বপূৰ্ণ বিভাগ গুৱাহাটী মহেন্দ্ৰ মোহন চৌধুৰী চিকিৎসালয়লৈ স্থানান্তৰ কৰাৰ পৰিকল্পনাৰ সন্দৰ্ভতো বিতংভাৱে আলোচনা কৰে। এই পদক্ষেপে নিশ্চিতভাৱেই চিকিৎসা সেৱাৰ আন্তঃগাঁথনি অধিক শক্তিশালী কৰাৰ লগতে সাধাৰণ ৰাইজৰ বাবে উন্নত আৰু সুলভ স্বাস্থ্যসেৱা নিশ্চিত কৰাৰ ক্ষেত্ৰত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিব বুলি মন্ত্ৰীগৰাকীয়ে আশা প্ৰকাশ কৰে। লগতে চিকিৎসালয়খনৰ নিৰ্মাণকাৰ্য নিৰ্ধাৰিত সময়ৰ ভিতৰত সম্পূৰ্ণ কৰি সেৱা ব্যৱস্থা অধিক উন্নত আৰু সুদৃঢ় কৰি তোলাৰ ক্ষেত্ৰত প্ৰয়োজনীয় পদক্ষেপ গ্ৰহণ কৰিবলৈ সংশ্লিষ্ট বিষয়াসকলক কঠোৰ নিৰ্দেশনা দিয়ে স্বাস্থ্য মন্ত্ৰীগৰাকীয়ে। এই পৰিদৰ্শনকালত চিকিৎসা সেৱা সঞ্চালক ডাঃ মনোজ কুমাৰ চৌধুৰী, গুৱাহাটী চিকিৎসা মহাবিদ্যালয় আৰু চিকিৎসালয়ৰ অধ্যক্ষ অধ্যাপক ডাঃ বাবুল বেজবৰুৱা, অধীক্ষক ডাঃ দেৱজিৎ চৌধুৰীকে ধৰি স্বাস্থ্য বিভাগৰ অন্যান্য জ্যেষ্ঠ বিষয়াসকল উপস্থিত থাকে।

## বিশিষ্ট সমাজকৰ্মী প্ৰদীপ কুমাৰ ডেকাৰ বিয়োগ



**লক্ষ্যজ্যোতি বৰা ঃ** নগাঁও জিলাৰ ফুলগুৰিৰ এগৰাকী বিশিষ্ট সমাজকৰ্মী , ফুলগুৰি ধেৱা স্মৃতি সুৰক্ষা সমিতিৰ প্ৰাক্তন সম্পাদক, ফুলগুৰি আঞ্চলিক বিহু উদ্‌যাপন সমিতিৰ সম্পাদক, ফুলগুৰি উন্নয়ন সমাজৰ প্ৰাক্তন সভাপতি, মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱ নামধৰ্ম সমাজ, অসমৰ নগাঁও জিলা সমাজৰ সম্পাদক তথা নগাঁৱৰ ফুলগুৰি মহগড় নিৱাসী প্ৰদীপ কুমাৰ ডেকাৰ যোৱা ২৬ অক্টোবৰ তাৰিখ সোমবাৰে পুৱা গুৱাহাটী চিকিৎসা মহাবিদ্যালয় হাস্পতালত মৃত্যু হয়। মৃত্যুৰ সময়ত তেখেতৰ বয়স আছিল ৫৯ বছৰ। হৃদৰোগ আৰু বৃক্কজনিত ৰোগৰ চিকিৎসাৰ বাবে তেওঁ হাস্পতালত কিছুদিন ধৰি চিকিৎসাধীন হৈ আছিল। মহাপুৰুষ নামধৰ্ম সমাজ, অসমৰ সংগঠন নগাঁও জিলাত শক্তিশালী কৰাত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰা ডেকাৰ মৃত্যুত নামধৰ্ম সমাজৰ প্ৰতিজন বিষয়ববীয়া, সদস্য ভকত, আইমাতৃসকল শোকত ব্যথিত হৈ পৰিছে। বিভিন্ন সামাজিক-সাংস্কৃতিক কামকাজৰ লগত জড়িত ডেকাৰ মৃত্যুৰ বাতৰি পোৱাৰ পিচতে সমগ্ৰ ফুলগুৰি অঞ্চলত শোকৰ ছাঁ পৰে। তেখেতৰ মৃত্যুত সমাজৰ ৰাজ্যিক সভাপতি মাণিক গগৈ, প্ৰধান সম্পাদক ৰাজুমণি দত্ত, নগাঁও জিলা সমাজৰ সভাপতি বিমল শইকীয়াৰ লগতে ফুলগুৰি ধেৱা স্মৃতি সুৰক্ষা সমিতি, ফুলগুৰি উন্নয়ন সমাজ, ফুলগুৰি আঞ্চলিক বিহু উদ্‌যাপন সমিতি, ফুলগুৰি আঞ্চলিক কবি সন্মিলনকে ধৰি অঞ্চলৰ বিভিন্ন অনুষ্ঠান-প্ৰতিষ্ঠান আৰু দল-সংগঠনে শোক প্ৰকাশ কৰিছে। মৃত্যুৰ সময়ত ডেকাই পত্নী, এজন পুত্ৰ আৰু বহু আত্মীয় স্বজনক ইহ সংসাৰত এৰি থৈ যায়।

# মাজপাথৰি হাইস্কুলত প্ৰাক্তন ছাত্ৰ সন্মিলনৰ প্ৰস্তুতি

**বিশেষ সংবাদদাতা, নগাঁও ঃ** নগাঁও জিলাৰ বৃহত্তৰ পাথৰি অঞ্চলৰ পুৰণি শিক্ষানুষ্ঠান মাজপাথৰি উচ্চ মাধ্যমিক বিদ্যালয়ে চলিত বৰ্ষত ৭৫ বছৰ সম্পূৰ্ণ কৰিবলৈ আগবাঢ়িছে। ১৯৫১ চনত প্ৰতিষ্ঠা লাভ কৰা পাথৰি অঞ্চলৰ গৌৰৱৰ ধ্বজা উৰুওৱা এই শিক্ষানুষ্ঠানখনে প্ৰতিটো পৰিয়ালক স্বাভিমানৰ প্ৰতীকৰূপে সমৃদ্ধ কৰিছে। বিদ্যালয়খনৰ বিগত ৭৫ বছৰৰ বৰ্ণিল শৈক্ষিক ইতিহাসৰ মধুৰ স্মৃতি ৰোমন্থনৰ বাবে ১৩, ১৪ আৰু ১৫ নৱেম্বৰত তিনিদিনীয়াকৈ বৰ্ণাঢ্য কাৰ্যসূচীৰে মহাৰজত জয়ন্তী উদ্‌যাপন কৰিবলৈ দিহা কৰা হৈছে। বিদ্যালয়খনৰ প্ৰাক্তন ছাত্ৰ-ছাত্ৰী, শিক্ষক-কৰ্মচাৰী, অভিভাৱক আৰু বিদ্যানুৰাগী-শুভাকাংক্ষীসকলৰ আন্তৰিক প্ৰচেষ্টা আৰু সহায়-সহযোগিতাই অনুষ্ঠানটি সাফল্যমণ্ডিত কৰি তুলিব বুলি আশা প্ৰকাশ কৰিছে বিদ্যালয় কৰ্তৃপক্ষ আৰু উদ্‌যাপন সমিতিয়ে। মহাৰজত জয়ন্তী সাফল্যমণ্ডিত কৰি তোলাৰ বাবে প্ৰাক্তন ছাত্ৰ-ছাত্ৰীসকলৰ সহযোগ একান্তভাৱে কামনা কৰিছে বিদ্যালয় কৰ্তৃপক্ষ আৰু উদ্‌যাপন সমিতিয়ে। মহাৰজত জয়ন্তী উপলক্ষে ১ নৱেম্বৰত বিদ্যালয় কৰ্তৃপক্ষ আৰু উদ্‌যাপন সমিতিয়ে বিদ্যালয়খনৰ প্ৰাক্তন ছাত্ৰ-ছাত্ৰী সন্মিলনৰ আয়োজন কৰিছে। বিদ্যালয়খনত পুৱা ১০ বজাত আৰম্ভ হ'বলগীয়া এই সভালৈ অসমৰ বিভিন্ন স্থানত থকা প্ৰাক্তন ছাত্ৰ-ছাত্ৰীসকলক আমন্ত্ৰণ জনোৱা হৈছে। বিদ্যালয়খনৰ প্ৰাক্তন ছাত্ৰ-ছাত্ৰী সন্মিলন গঠন কৰাৰ উদ্দেশ্যে এই সভাৰ আয়োজন কৰা হৈছে।

# অসম সৌৰভ বঁটাৰ হাড়গিলা বাইদেউ হিচাপে খ্যাত, আন্তঃৰাষ্ট্ৰীয় খ্যাতিসম্পন্ন বন্যপ্ৰাণী সংৰক্ষণবিদ কামৰূপ জিলাৰ দদৰা, পছৰীয়াৰ ড° পূৰ্ণিমা দেৱী বৰ্মনলৈ



**ৰমেন ভৰালী, বংশৰ ঃ** ২০২৫ বৰ্ষৰ অসম চৰকাৰৰ সৰ্বোচ্চ অসামৰিক বঁটা সমূহৰ তালিকা অসম চৰকাৰে ঘোষণা কৰিছে। যোৱা ২৩ অক্টোবৰত দিছপুৰৰ লোক সেৱা ভৱনত মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ অধ্যক্ষতাত অনুষ্ঠিত কেবিনেট বৈঠকত এই সিদ্ধান্ত গ্ৰহণ কৰা হয়। এইবাৰ অসম সৌৰভ বঁটাৰ বাবে ৪ গৰাকী বিশিষ্ট ব্যক্তিক নিৰ্বাচিত কৰা হৈছে। ইয়াৰ ভিতৰত হাড়গিলা বাইদেউ হিচাপে খ্যাত, আন্তঃৰাষ্ট্ৰীয় খ্যাতিসম্পন্ন বন্যপ্ৰাণী সংৰক্ষণবিদ কামৰূপ জিলাৰ দদৰা, পছৰীয়াৰ ড° পূৰ্ণিমা দেৱী বৰ্মন অন্যতম। বৃহত্তৰ বৰটোকোলা চৰাই সংৰক্ষণৰ ক্ষেত্ৰত তেওঁৰ অতুলনীয় অৱদান আৰু 'হাড়গিলা আৰ্মী'ৰ জৰিয়তে মহিলা সৱলীকৰণৰ লগত সংৰক্ষণক সংযুক্ত কৰাৰ বাবে তেওঁক এই সন্মান প্ৰদান কৰা হৈছে। তেওঁৰ লগতে এই বঁটা লাভ কৰিছে - পদ্মশ্ৰী ড° কুশল কোঁৱৰ শৰ্মা, পদ্মশ্ৰী নুৰুদ্দিন আহমেদ আৰু কণ্ঠশিল্পী পুলক বেনাৰ্জীয়ে। এই বঁটা লাভৰ পিছত অসম প্ৰৱাহৰ সৈতে হোৱা এক আছুতীয়া সাক্ষাৎকাৰত ড° বৰ্মনে আবেগিক প্ৰতিক্ৰিয়া ব্যক্ত কৰে। তেওঁ কয়, 'এই বঁটা মোৰ অকলৰ নহয়, এই বঁটা মোৰ হাড়গিলা আৰ্মীৰ প্ৰতিগৰাকী আই-ভনীৰ, যিসকলে নিজৰ সন্তানৰ দৰে হাড়গিলাক ৰক্ষা কৰি আহিছে। অসম চৰকাৰ আৰু অসমবাসী ৰাইজক মই হৃদয়ৰ পৰা ধন্যবাদ জনাইছোঁ। এই সন্মানে মোক আৰু মোৰ দলক অধিক দায়িত্বশীল কৰিলে।' উল্লেখ্য যে, অসমৰ সৰ্বোচ্চ অসামৰিক সন্মান অসম বৈভৱ এইবাৰ প্ৰখ্যাত চকু বিশেষজ্ঞ ড° হৰ্ষ ভট্টাচাৰ্যলৈ আগবঢ়োৱা হৈছে। ২০২৫ বৰ্ষৰ বঁটাসমূহ অহা ডিচেম্বৰ মাহত আনুষ্ঠানিকভাৱে প্ৰদান কৰা হ'ব।

# নগাঁও ৩৬ নং ৰাষ্ট্ৰীয় ঘাইপথ মেৰামতিৰ নিয়ম উলংঘা কৰাৰ ফলত কেইবাটাও দুৰ্ঘটনা সংঘটিত

**বিশেষ সংবাদদাতা, নগাওঁ ঃ** নগাঁও জিলাৰ মাজেৰে যোৱা ৩৬ নং ৰাষ্ট্ৰীয় ঘাইপথৰ পথ মেৰামতি কাৰ্য্যৰ নিয়ম উলংঘা কৰাৰ ফলত মৰিকলং অঞ্চলত দুটাকৈ ভয়ানক দুৰ্ঘটনা সংঘটিত হয়। স্থানীয় লোকে জানিবলৈ দিয়া মতে - নাহাতা কোম্পানীৰ অধীনত মৰিকলঙৰ পৰা বৰঘাট বাইপাছৰ পথচোৱা মাজে-মাজে পুখুৰী সদৃশ গাত হোৱাত সেই পথছোৱাৰ মেৰামতি কাৰ্য্য চলি আছিল। কিন্তু পথটোৰ মেৰামতি সময়ত কোনো ধৰণৰ বেৰিকেড বা ওৱান-ৱে ছাইনবৰ্ড নলগোৱাকৈ গোটেই পথটোত তেলযুক্ত আলকতৰা টেপিং দিয়াৰ লগতে আলকতৰা আৰু শিলগুটি মিহলি কৰা মেছিনটো পথৰ মাজতেই ৰাখি পথ নিৰ্মাণ কাৰ্য্য চলাই গৈছিল। ফলত বৰঘাট বাইপাছৰ পৰা অহা ASO2AM-6500 আৰু AS0LAA-8581 নাম্বাৰৰ দুখন স্কুটিত অহা বাইক আৰোহীৰ তেলযুক্ত আলকতৰাত পিছলি পৰি কথমপি মৃত্যু মুখৰ পৰা ৰক্ষা পৰে। ইপিনে স্থানীয় ৰাইজে এনেদৰে নিয়ম উলংঘা কৰি পথ মেৰামতি কৰাৰ বাবে পথ নিৰ্মাণ কৰা প্ৰতিষ্ঠানটোৰ ঠিকাদাৰ কৰ্মচাৰী লগত তৰ্কাতৰ্কিত লিপ্ত হয়। আৰু নিয়ম উলংঘা কৰি এনেদৰে পথ মেৰামতি নকৰিবলৈ হুংকাৰ প্ৰদান কৰে। উল্লেখ্য যে এনে দৰে মানুহৰ জীৱনৰ লগত হেতালি খেলি পথ মেৰামতি কৰা এনে ধৰণৰ বিয়াগোম কোম্পানী সমূহৰ ওপৰত নগাঁও আৰক্ষী-প্ৰশাসনে নাকী লগাব পাৰিবনে তাকে লৈ এতিয়া নগাঁৱৰ সচেতন মহলৰ মাজত এক চৰ্চিত বিষয় হৈ পৰিছে।










স্বত্বাধিকাৰ প্ৰণতি বৰাৰ দ্বাৰা প্ৰকাশিত আৰু মুদ্ৰিত কুণ্ডিলনগৰ, হিড়িম্বাপুৰ পথ, ওদালবাক্ৰা, গুৱাহাটী-৩৪ৰ পৰা প্ৰকাশিত, অমৰজ্যোতি প্ৰিণ্টাৰ্চ (কমাৰ্চ কলেজৰ বিপৰীতফালে), গুৱাহাটী-৭৮১০০৩ ত মুদ্ৰিত।
Owner, publisher & Printer Pranati Bora, Published from Kundil Nagar, Hirimbapur Path, Odalbakra, Guwahati-781034 &
Printed at Amarjyoti Printers (Opposite Commerce College), Guwahati- 781003, Editor : Pranati Bora
Website = https://www.asompravah.in/, E-mail : asompravah004@gmail.com, Mob : 70025-92810,
সহকাৰী কাৰ্যবাহী সম্পাদক ঃ পংকজ শইকীয়া
সহযোগী সম্পাদক ঃ ৰমেন ভৰালী
সম্পাদক ঃ প্ৰণতি বৰা